# বিনিময় পত্ৰ
# Bill of Exchange

8

**শিকাৰ উদ্দেশ্য**

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে শিকিব পাৰিবা -

* বিনিময় পত্ৰ আৰু প্ৰতিশ্ৰুতি পত্ৰৰ অৰ্থ,
* বিনিময় পত্ৰ আৰু প্ৰতিশ্ৰুতি পত্ৰৰ মাজৰ পাৰ্থক্য,
* বিনিময় পত্ৰৰ সুবিধাসমূহ,
* বিলৰ লেন-দেনৰ সৈতে জড়িত বিভিন্ন পদসমূহৰ অৰ্থ, ব্যাখ্যা
* বিনিময় পত্ৰৰ লেন-দেনসমূহ জাবেদাত লিপিবদ্ধ কৰা,
* বিলৰ প্ৰত্যাখ্যান, বিলৰ অৱসৰ আৰু নৱীকৰণ কৰাৰ সৈতে জড়িত লেন-দেনৰ লিপিবদ্ধকৰণ,
* প্ৰাপ্য বিল বহী আৰু প্ৰদেয় বিল বহীৰ ব্যৱহাৰ
* উপযোজক বিলৰ অৰ্থ আৰু ইয়াৰ ব্যৱহাৰ।

সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় নগদ টকাত বা বাকীত কৰিব পাৰি। যদি সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় নগদ টকাত কৰা হয়, তেন্তে পৰিশোধ ততালিকে কৰা হয়। আনহাতে, যদি সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় বাকীত কৰা হয়, তেন্তে নগদ পৰিশোধ ভৱিষ্যতৰ কোনো এদিনত কৰা হয়। এনেকুৱা এটা পৰিস্থিতি, ব্যৱসায়টোৱে গ্ৰাহকক পৰিশোধ কৰিবলগীয় দিনটোলৈ মুক্তি দিয়ে। কিন্তু আন কিছুমান পৰিস্থিতিত, পৰিশোধ কৰাত সন্দেহ থকা বা নিৰ্দিষ্ট সময়ত পৰিশোধ নকৰা ভয় আতৰাবলৈ এখন বাকীৰ দলিল ব্যৱহাৰ হয় যাৰ জৰিয়তে ক্ৰেতাই বিক্ৰেতাক দলিলত উল্লেখিত অৱস্থাসমূহৰ মতে পৰিশোধ কৰাৰ আশ্বাস দিয়ে। ভাৰতত পৰণি কালৰ পৰাই এই বাকীৰ দলিল ব্যৱহৃত হৈ আহিছে আৰু ইয়াক প্ৰকৃত ভাবে 'হুণ্ডি' বুলি জনা যায়। হুণ্ডিসমূহ ভাৰতীয় ভাষাত লিখা হয় আৰু ইয়াৰ বহুতো প্ৰকাৰ আছে (বাকচ-1 চোৱা)।

### কোঠালী -1

**হুণ্ডি আৰু ইয়াৰ প্ৰকাৰসমূহ**

আমাৰ ব্যৱহৃত হুণ্ডিসমূহৰ বিভিন্ন প্ৰকাৰ আছে। ইয়াৰে বহুলভাবে ব্যৱহৃত হুণ্ডিসমূহৰ বিষয়ে আলোচনা কৰো আহা।

*শ্বাহজ'গ হুণ্ডি ঃ* ইয়াক এজন ব্যৱসায়ীয়ে আন এজন ব্যৱসায়ীৰ ওপৰত ধাৰণ কৰে। দলিলখনত টকাৰ পৰিমাণ এজন শ্বাহক পৰিশোধ কৰিবৰ বাবে উল্লেখ থাকে। শ্বাহ হ'ল এজন সন্মানীয়, দায়িত্বপূৰ্ণ আৰু সম্পত্তিশালী ব্যক্তি যাক বজাৰত জনা যায়। এখন শ্বাগজ'গ হুণ্ডি শ্বাহৰ ওচৰ পোৱালৈকে এজনৰ পৰা আন এজনলৈ পাৰ হৈ যায়। পিছত শ্বাহজনে সন্তোষজনক অনুসন্ধান কৰি বিল গ্ৰহিতাৰ ওচৰত বিলখন স্বকৃতিৰ বাবে প্ৰেৰণ কৰে।

*দৰ্শন্তি হুণ্ডি ঃ* এইবিধ হুণ্ডি দৰ্শন কৰোৱাৰ লগে লগে পৰিশোধ কৰিব লাগে। এই হুণ্ডিখন ধাৰকে গ্ৰহণ কৰাৰ পিছত পৰিশোধৰ বাবে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত উপস্থিত কৰাব লাগিব। এইবিধ হুণ্ডি দৰ্শনী বিলৰ দৰে একে।

*মুড্ডাটি হুণ্ডি ঃ* এখন মুড্ডাটি হুণ্ডি বা মিয়াদী হুণ্ডি এটা নিৰ্দিষ্ট সময়ৰ পিছত পৰিশোধ কৰা হয়। এই হুণ্ডি 'সময় বিল'ৰ দৰে একে।

ইয়াৰ উপৰিও হুণ্ডিৰ বহুতো প্ৰকাৰ আছে যেনে - 'নাম-জ'গ হুণ্ডি', 'ঢানি-জ'গ হুণ্ডি', 'জবাবী হুণ্ডি', 'হ'খামি হুণ্ডি', 'ফিৰমেন জ'গ হুণ্ডি' ইত্যাদি।

আজিৰ দিনত এই বাকীৰ দলিল সমূহক 'বিনিময় পত্ৰ' (Bill of Exchange) বা প্ৰতিশ্ৰুতি পত্ৰ (Promissory Note) বুলি কোৱা হয়। 'বিনিময় পত্ৰত' এটা নিৰ্দিষ্ট তাৰিখত এক নিৰ্দিষ্ট পৰিমাণৰ টকা পৰিশোধ কৰাৰ বাবে এটা 'চৰ্তবিহীন প্ৰতিশ্ৰুতি' (Unconditional Promise) থাকে। ভাৰতত এই দলিলসমূহ পাৰিচালনা কৰে 'ভাৰতীয় হস্তান্তৰযোগ্য দলিল আইনে, 1881' (Indian Negotiable Instrument Act, 1881)

## 8·1 বিনিময় পত্ৰৰ অৰ্থ (Meaning of Bill of Exchange)

পঞ্চম ধাৰা 'হস্তান্তৰযোগ্য দলিল আইন, 1881'ৰ মতে বিনিময় পত্ৰ হৈছে, "এখন প্ৰস্তুত কাৰকৰ স্বাক্ষৰযুক্ত চৰ্তবিহীন আদেশ পত্ৰ, যাৰ জৰিয়তে কোনো নিৰ্দিষ্ট ব্যক্তি বা নিৰ্দিষ্ট ব্যক্তিৰ আদেশ, যত নিশ্চিত ধনৰাশিক হয় তেওঁ নিজে নতুবা তেওঁৰ আদেশ অনুসাৰে যিকোনো ব্যক্তিক এই বিনিময় পত্ৰৰ ধাৰুৱাই বিচৰামতে এক নিশ্চিত দলিলৰ সমাপ্তিকৰণ কৰে।

ওপৰৰ সংজ্ঞাটোৰ পৰা 'বিনিময় পত্ৰ'ৰ তলত দিয়া বৈশিষ্ট্যবোৰ নিৰ্ধাৰণ কৰিব পাৰি।

- এখন বিনিময় পত্ৰ লিখিত হ'ব লাগিব,
- টকা পৰিশোধ কৰাৰ ই এটা আদেশ,
- এই আদেশ চৰ্তবিহীন,
- বিনিময় পত্ৰত প্ৰস্তুতকাৰকৰ স্বাক্ষৰ থাকিব লাগিব,

- পৰিশোধ কৰিবলগীয়া টকা নিৰ্দিষ্ট পৰিমাণৰ হ'ব লাগিব,
- পৰিশোধ কৰিবলগীয়া তাৰিখো নিৰ্দিষ্ট হ'ব লাগিব,
- বিনিময় পত্ৰখন এজন নিৰ্দিষ্ট ব্যক্তিক পৰিশোধ কৰিব লাগিব,
- বিনিময় পত্ৰত উল্লেখিত ধন দাবী কৰা মতে নাইবা নিৰ্দিষ্ট সময় উকলি যোৱাৰ পিছত পৰিশোধ কৰিব লাগে।
- বিনিময় পত্ৰখনত আইনৰ প্ৰয়োজনমতে মোহৰ থাকিব লাগিব।

সাধাৰণতে এখন বিনিময় পত্ৰ পাওনাদাৰে দেনাদাৰৰ ওপৰত ধাৰণ কৰে। বিনিময় পত্ৰখনত বিল গ্ৰহীতা (দেনাদাৰ) জনে নাইবা তেওঁৰ হৈ আন কোনোবাই স্বীকৃতি দিব লাগে। বিলখন স্বীকৃতি প্ৰাপ্ত হোৱাৰ আগলৈকে ই এখন নমুনাহে।

উদাহৰণ স্বৰূপে, অমিতে 10000 টকাৰ সামগ্ৰী ৰোহিতলৈ তিনি মাহৰ ভিতৰত পৰিশোধ কৰাৰ বাবে বাকীত বিক্ৰী কৰিলে। নিৰ্দিষ্ট তাৰিখত পৰিশোধ কৰাটো স্থিৰ কৰিবৰ বাবে অমিতে ৰোহিতৰ ওপৰত 10000 টকাৰ এখন তিনিমহীয়া বিল প্ৰস্তুত কৰিলে। ৰোহিতে স্বীকৃতি দিয়াৰ আগলৈকে বিলখনক নমুনা বুলি কোৱা হ'ব। এইখনক তেতিয়াহে 'বিনিময় পত্ৰ' বোলা হ'ব যেতিয়া ৰোহিতে 'স্বীকৃত' বুলি লিখিব আৰু তাত নিজৰ স্বাক্ষৰ প্ৰদান কৰিব।

### *8·1·1 বিনিময় পত্ৰৰ পক্ষ* (Parties to a Bill of Exchange)

এখন বিনিময় পত্ৰৰ তিনিটা পক্ষ থাকে।

(i) বিল কাৰক ঃ এজন বিক্ৰেতা/পাওনাদাৰ যিয়ে দেনাদাৰৰ পৰা টকা পায়, তেওঁ গ্ৰাহক/দেনাদাৰজনৰ ওপৰত এখন বিনিময় পত্ৰ প্ৰস্তুত কৰিব পাৰে। বিল কাৰকজনে বিল প্ৰস্তুত কৰাৰ পাছত বিলৰ প্ৰস্তুত কাৰ্য হিচাপে স্বাক্ষৰ কৰিব লাগিব।

(ii) বিল গ্ৰহীতা হৈছে সেইজন ব্যক্তি যাৰ ওপৰত বিলখন প্ৰস্তুত কৰা হৈছে। বিল গ্ৰহীতাজন হৈছে সামগ্ৰীৰ ক্ৰেতা বা দেনাদাৰ যাৰ ওপৰত বিলখন প্ৰস্তুত কৰা হৈছে।

(iii) প্ৰাপক হৈছে সেইজন ব্যক্তি যিজনক বিলৰ টকা পৰিশোধ কৰা হয়। যদি বিল কাৰক জনে নিৰ্দিষ্ট তাৰিখলৈ বিলখন নিজৰ লগত ৰাখে, তেন্তে তেওঁ নিজে বিলৰ প্ৰাপক হয়। তলত উল্লেখ কৰা পৰিস্থিতি সমূহত বিলৰ প্ৰাপকজন আন ব্যক্তিও হ'ব পাৰে।

  (a) যদি বিল কাৰকজনে বিলখন বাট্টাত ভঙাই, তেতিয়া বাট্টাত ভঙোৱা ব্যক্তিজন বিলৰ প্ৰাপক হ'ব।

  (b) যেতিয়া বিলখন পাওনাদাৰলৈ পৃষ্ঠাংকন কৰা হয়, তেতিয়া পাওনাদাৰজনেই বিলৰ প্ৰাপক হ'ব।

সাধাৰণতে বিল কাৰক আৰু বিল প্ৰাপক একেজন ব্যক্তিয়েই হোৱা দেখা যায়। ঠিক তেনেদৰে বিল গ্ৰহীতা আৰু বিলৰ স্বীকৃতিদাতা একেজন ব্যক্তিয়েই হোৱা দেখা যায়। উদাহৰণস্বৰূপে, মমতাই জ্যোতিৰ ওচৰত 10000 টকাৰ সামগ্ৰী বিক্ৰী কৰিলে আৰু সম পৰিমাণৰ টকাৰ বাবে মমতাই জ্যোতিৰ ওপৰত তিনিমাহ ম্যাদৰ এখন বিনিময় পত্ৰ প্ৰস্তুত কৰিলে। ইয়াত মমতা হৈছে বিলৰ প্ৰস্তুতকাৰক আৰু জ্যোতি হৈছে বিল গ্ৰহীতা। যদি বিলখন মমতাই বিলৰ ম্যাদৰ শেষলৈকে নিজৰ লগত ৰাখি জ্যোতিৰ পৰা 10000 টকা গ্ৰহণ কৰে তেতিয়া মমতাকে বিলখনৰ প্ৰাপক বুলি কোৱা হয়। যদি মমতাই বিলখন তেওঁৰ পাওনাদাৰ ৰুচিলৈ পৃষ্ঠাংকন কৰে তেন্তে ৰুচিক বিলখনৰ প্ৰাপক বুলি গণ্য কৰা হ'ব।

ওপৰত উল্লেখ কৰা বিনিময় পত্ৰখনত মমতা হৈছে বিল কাৰকে বা প্ৰস্তুতকৰ্তা আৰু জ্যোতি হৈছে বিল গ্ৰাহীতা। যিহেতু জ্যোতিয়ে বিলৰ ওপৰত নিজৰ স্বাক্ষৰ প্ৰদান কৰি স্বীকৃতি দিছে সেয়েহে জ্যোতিক বিলখনৰ গ্ৰহিতাও বোলা হয়। যদি জ্যোতিৰ ঠাইত বিলখন অশোকে স্বীকৃতি দিয়ে তেতিয়া অশোকেই বিল গ্ৰহীতা হ'লহেঁতেন।

মমতা — নতুন দিল্লী

10000 টকা — 1 এপ্ৰিল, 2006

আজিৰ তাৰিখৰ তিনিমাহৰ পিছত মোক অথবা মোৰ আদেশবাহী ব্যক্তিক প্ৰাপ্ত মূল্যৰ বাবদ দহ হাজাৰ টকা পৰিশোধ কৰক।

টিকট

(স্বাক্ষৰ)
*মমতা*
196, কাৰোল বাম
নতুন দিল্লী

স্বীকৃত
(স্বাক্ষৰ)
*জ্যোতি*
1.4.2006
73-B মহিপালপুৰ
নতুন দিল্লী-110037

প্ৰতি,
*জ্যোতি*
73-B মহিপালপুৰ
নতুন দিল্লী-110037

**Fig. 8.1 :** বিনিময় পত্ৰৰ নমুনা

**অনুশীলনী-1**

**বিনিময় পত্ৰৰ সৈতে জড়িত তলৰ বিবৃতিবোৰ 'শুদ্ধ' নে 'অশুদ্ধ' লিখা।**

(i) এখন বিনিময় পত্ৰ প্ৰাপকৰ দ্বাৰা স্বীকৃত ই হ'ব লাগিব।

(ii) এ ন বিনিময় পত্ৰ পাওনাদাৰে প্ৰস্তুত কৰে।

(iii) এখন বিনিময় পত্ৰ সকলো নগদ লেন-দেনৰ বাবে প্ৰস্তুত কৰা হয়।

(iv) এখন প্ৰয়োজন মাত্ৰেই সাধনী বা দৰ্শনী বিল (Demand Bill) ক সময় বা ম্যাদী (Time) বোলা হয়।

(v) বিনিময় পত্ৰৰ টকা পৰিশোধ কৰিবলগীয়া ব্যক্তিজনক প্ৰাপক (Payee) বোলা হয়।

(vi) এখন হস্তান্তৰযোগ্য দলিলক ইয়াৰ প্ৰস্তুতকৰ্তাৰ স্বাক্ষৰৰ প্ৰয়োজন নহয়।

(vii) দৰ্শন হোৱাৰ লগে লগেই পৰিশোধ কৰিব লগীয়া হুণ্ডি বিকি 'দৰ্শন্ত হুণ্ডি' (Darshanta Hundi) বোলা হয়।

(viii) এখন হস্তান্তাৰযোগ্য দলিল মুক্তভাবে স্থানান্তৰযোগ্য নহয়।

(ix) প্ৰতিশ্ৰুতি পত্ৰত টিকট লগোৱাতো বাধ্যতামূলক নহয়।

(x) এখন হস্তান্তৰযোগ্য দলিলৰ পৰিশোধৰ সময় নিৰ্দিষ্ট হোৱাতো প্ৰয়োজনীয় নহয়।

## 8.2. প্ৰতিশ্ৰুতি পত্ৰ (Promissory Note)

'হস্তান্তৰযোগ্য দলিল আইন, 1881' ৰ মতে প্ৰতিশ্ৰুতি পত্ৰ হৈছে। "কোনো নিৰ্দিষ্ট ব্যক্তি বা সেই ব্যক্তিৰ আদেশ মতে অন্য ব্যক্তিক বা বহকক নিৰ্দিষ্ট পৰিমাণৰ অৰ্থ প্ৰদানৰ চৰ্ত্তবিহীন প্ৰতিশ্ৰুতি সন্নিবিষ্ট লিখিত আৰু প্ৰস্ততি কাৰকৰ স্বাক্ষৰযুক্ত পত্ৰক (বেংক নোট আৰু প্ৰচলিত টকা নহয়) প্ৰতিশ্ৰুতি পত্ৰ বোলে।" ইয়াৰ উপৰি আকৌ 'ভাৰতীয় ৰিজাৰ্ভ বেংক আইন'ৰ মতে প্ৰতিশ্ৰুতি পত্ৰ ইয়াৰ বাহকক পৰিশোধ কৰাটো অবৈধ। গতিকে বাহকক পৰিশোধৰ বাবে প্ৰতিশ্ৰুতি পত্ৰ প্ৰস্তুত কৰিব নোৱাৰে।

এই সংজ্ঞাটোৱে নিৰ্দেশ কৰে যে যেতিয়া কোনো এজন ব্যক্তিয়ে চৰ্ত্তহীন ভাবে আন এজন নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ আদেশমতে আন ব্যক্তিক এক নিৰ্দিষ্ট পৰিমাণৰ টকা পৰিশোধ কৰাৰ এক লিখিত প্ৰতিশ্ৰুতি দিয়ে তেতিয়া সেই পত্ৰখনক 'প্ৰতিশ্ৰুতি পত্ৰ' (Promissory Note) বোলে।

ওপৰৰ সংজ্ঞাটোৰ পৰা প্ৰতিশ্ৰুতি পত্ৰৰ তলত দিয়া বৈশিষ্ট্যসমূহ বাহিৰ কৰি উলিয়াব পাৰি ঃ

* এই পত্ৰ লিখিত হ'ব লাগিব,
* এই পত্ৰত টকা পৰিশোধ কৰাৰ চৰ্তবিহীন প্ৰতিশ্ৰুতি থাকিব লাগিব,
* পৰিশোধ কৰিবলগীয়া টকা নিৰ্দিষ্ট পৰিমাণৰ হ'ব লাগিব,
* ইয়াত প্ৰস্তুতকৰ্তাই স্বাক্ষৰ কৰিব লাগিব,
* এই পত্ৰৰ টকা নিৰ্দিষ্ট ব্যক্তিক পৰিশোধ কৰিব লাগিব,
* এই পত্ৰত শুদ্ধভাৱে টিকট লগোৱা থাকিব লাগিব।

এখন প্ৰতিশ্ৰুতি পত্ৰত স্বীকৃতিৰ প্ৰয়োজন নাই কাৰণ ইয়াৰ প্ৰস্তুত কৰ্তাই নিজেই পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

অশোক কুমাৰ নতুন দিল্লী
30000 টকা 1 এপ্ৰিল, 2006

প্ৰাপ্ত মূল্যৰ বাবে শ্ৰীহৰিশ চন্দৰ বা তেওঁৰ আদেশ প্ৰাপ্ত ব্যক্তিক আজিৰ তাৰিখৰ পৰা তিনিমাহৰ পিছত ত্ৰিশ হাজাৰ টকা দিবলৈ মই প্ৰতিজ্ঞা কৰিলোঁ।

টিকট

প্ৰতি, *অশোক কুমাৰ*
2, দৰিবা কলন
চান্দনী চ'ক
নতুন দিল্লী-1100006

*হৰিশ চন্দৰ*
24, আনচাৰি পথ
দৰিয়া গঞ্জ
নতুন দিল্লী-110002

**Fig. 8.2 :** প্ৰতিশ্ৰুতি পত্ৰৰ আৰ্হি

### 8.2.1. *প্ৰতিশ্ৰুতি পত্ৰৰ পক্ষ (Parties to a promissory note)*

এখন প্ৰতিশ্ৰুতি পত্ৰৰ দুটা পক্ষ থাকে

* প্ৰস্তুতকাৰক (Maker) বা ধাৰক (Drawer) হৈছে সেইজন ব্যক্তি যিজনে নিৰ্দিষ্ট পৰিমাণৰ টকা পৰিশোধ কৰাৰ বাবে প্ৰতিশ্ৰুতি পত্ৰ প্ৰস্তুত কৰে। তেওঁক প্ৰতিজ্ঞাকাৰী (Promi-

sor) বুলি কোৱা হয়।

* প্ৰাপক (Payee) হৈছে সেইজন ব্যক্তি যিজনক টকা পৰিশোধৰ বাবে প্ৰতিশ্ৰুতি পত্ৰখন প্ৰস্তুত কৰা হৈছে তেওঁক পাওনাদাৰ (Promisee) বুলি কোৱা হয়।

সাধাৰণতে আন কোনো ব্যক্তিৰ নাম উল্লেখ নাথাকিলে পাওনাদাৰ (Promisee) জনে প্ৰাপক (Payee) হয়। প্ৰতিশ্ৰুতি পত্ৰৰ আৰ্হিত (Fig : 8.2) অশোক কুমাৰ প্ৰস্তুতকৰ্তা (Maker) যে 30000 টকা পৰিশোধ কৰিম বুলি প্ৰতিজ্ঞা কৰিছে আৰু হৰিশ চন্দৰ হৈছে প্ৰাপক (Payee) যাক টকা পৰিশোধ কৰা হ'ব। যদি হৰিশ চন্দৰে এই প্ৰতিশ্ৰুতি পত্ৰখন পৃষ্ঠাংকন (Endorses) কৰে ৰোহিতলৈ, তেন্তে ৰোহিত প্ৰাপক হ'ব। ঠিক তেনেদৰেই, যদি হৰিশ চন্দৰে প্ৰতিশ্ৰুতি পত্ৰখন বেংকত বাট্টাত ভঙাই তেন্তে বেংক প্ৰাপ্ৰক হ'ব।

## কোঠালী-2

### বিনিময় পত্ৰ আৰু প্ৰতিশ্ৰুতি পত্ৰৰ মাজৰ পাৰ্থক্য

(Distinction between a Bill of Exchange and Promissory note)

বিনিময় পত্ৰ আৰু প্ৰতিশ্ৰুতি পত্ৰ দুয়োবিধেই বাকীৰ দলিল (Instrument of Credit) আৰু কিছুমান ক্ষেত্ৰত দুয়োবিধ প্ৰায় একে যদিও কিছুমান নিৰ্দিষ্ট ভিত্তি লৈ দুয়োৰে পাৰ্থক্যসমূহ নিৰ্ধাৰণ কৰিব পাৰি।

| ক্ৰমিক নং<br>Sl. No. | ভিত্তি<br>Basis | বিনিময় পত্ৰ<br>Bill of Exchange | প্ৰতিশ্ৰুতি পত্ৰ<br>Promissory Note |
|---|---|---|---|
| 1 | প্ৰস্তুতকৰ্তা | ইয়াক পাওনাদাৰে প্ৰস্তুত কৰে | ইয়াক দেনাদাৰে প্ৰস্তুত কৰে |
| 2 | আদেশ বা প্ৰতিশ্ৰুতি আৰু পক্ষ | ইয়াৰ টকা পৰিশোধ কৰাৰ এটা আদেশ থাকে। ইয়াত তিনিটা পক্ষ থাকে - বিল কাৰক, বিল গ্ৰহিতা আৰু প্ৰাপক। | ইয়াৰ টকা পৰিশোধ কৰাৰ এটা প্ৰতিশ্ৰুতি থাকে। ইয়াত মাত্ৰ দুটা পক্ষ থাকে- প্ৰস্তুতকাৰক আৰু প্ৰাপক। |
| 3 | গ্ৰহণযোগ্যতা | ইয়াৰ গ্ৰহণযোগ্যতা প্ৰয়োজনীয়। ইয়াক বিল গ্ৰহিতা বা তেওঁৰ হৈ আন ব্যক্তিয়ে গ্ৰহণ কৰে | ইয়াৰ গ্ৰহণযোগ্যতা প্ৰয়োজনীয় নহয়। |

| | | | |
|---|---|---|---|
| 4 | প্ৰাপক | প্ৰস্তুতকৰ্তা আৰু প্ৰাপক একেজন ব্যক্তি হ'ব পাৰে | ইয়াত প্ৰস্তুতকৰ্তা জন প্ৰাপক হ'ব নোৱাৰে |
| 5 | জাননী | প্ৰত্যাখ্যানৰ ক্ষেত্ৰত বিলৰ বাহকে বিল কাৰোবাক প্ৰত্যাখ্যানৰ বাবে প্ৰেৰণ কৰে। | ইয়াৰ প্ৰত্যাখ্যানৰ ক্ষেত্ৰত কোনো আদেশ দিয়া নহয় |

## 8.3 বিনিময় পত্ৰৰ সুবিধাসমূহ (Advantages of Bills of exchange)

তলৰ সুবিধাসমূহৰ বাবে বাকীৰ দলিল হিচাবে ব্যৱসায়ত বিনিময় পত্ৰৰ প্ৰায়েই ব্যৱহাৰ হয় ঃ

- *সম্পৰ্ক গঠনৰ ভিত্তি ঃ* বিনিময় পত্ৰ হৈছে এনে এখন হস্তান্তৰযোগ্য দলিল যিয়ে বিক্ৰেতা/পাওনাদাৰ আৰু ক্ৰেতা/দেনাদাৰক নিৰ্দিষ্ট ভিত্তিৰ ওপৰত লেন-দেন সমূহ বাকীত সংঘটিত হোৱাত সহায় কৰে।
- *চৰ্ত্ত আৰু পৰিস্থিতিৰ নিশ্চয়তা ঃ* পাওনাদাৰে টকা কেতিয়া পাব সময়টো নিৰ্দ্দিষ্টকৈ জানে আৰু সেয়েহে দেনাদাৰে টকা পৰিশোধ কৰিব লগা তাৰিখলৈ মুক্তভাৱে থাকিব পাৰে। এইটো একমাত্ৰ সম্ভৱ হয় বিনিময় পত্ৰত উল্লেখ কৰা বিষয়বস্তু যেনে— পৰিশোধ কৰিবলগীয়া টকাৰ পৰিমাণ, পৰিশোধৰ সময়, দিবলগীয়া টকাৰ ওপৰত সুদ আৰু পৰিশোধ কৰিবলগীয়া স্থান উল্লেখ থকা বাবে।
- *বাকী লেন-দেনৰ বিশ্বাসযোগ্য দলিল ঃ* এখন বিনিময় পত্ৰই এজন বিক্ৰেতাক বাকীত সামগ্ৰী ক্ৰয় কৰাত সহায় কৰে। ইয়াৰ উপৰিও বিক্ৰেতাজনে বিলখন বেংকত বাট্টাত ভঙাই (Discounting of Bill) ততালিকে টকা পাব পাৰে নাইবা আন তৃতীয় পক্ষক পৃষ্ঠাংকন (Endorsement) কৰিব পাৰে।
- *যথোপযুক্ত প্ৰমাণক ঃ* বিনিময় পত্ৰ হৈছে বাকীত হোৱা লেন-দেনৰ আইনগত প্ৰমাণক যাৰ জৰিয়ত ব্যৱসায়ত ক্ৰেতাই বিক্ৰেতাৰ পৰা সামগ্ৰীসমূহ বাকীত ক্ৰয় কৰে আৰু তেওঁ বিক্ৰেতাৰ ওচৰত দায়বদ্ধ হৈ থাকে। যদি ভবি ্যতে বিল প্ৰাপকে বিলৰ পৰিশোধ অগ্ৰাহ্য কৰে, তেতিয়া পাওনাদাৰে ন'টাৰী পাব্লিকৰ (Notary Public) পৰা প্ৰমাণপত্ৰ লৈ সমগ্ৰ প্ৰক্ৰিয়াটোৰ শেষ সিদ্ধান্তত উপনীত হ'ব পাৰে।

- সহজ স্থানান্তৰযোগ্যতা ঃ বিনিময় পত্ৰ পাওনাদাৰলৈ পৃষ্ঠাংকনৰ জৰিয়তে প্ৰদান কৰি ঋণ সহতে পৰিশোধ কৰিব পাৰে।

**অনুশীলনী - 2**

**খালী ঠাই পূৰণ কৰা ঃ**

(i) প্ৰতিশ্ৰুতি পত্ৰত উল্লেখিত ধন পৰিশোধ কৰিবলগীয়া ব্যক্তিজনক ———————— বুলি জনা যায়।

(ii) এখন হস্তান্তৰ যোগ্য পত্ৰ স্বাক্ষৰ কৰি আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰাক ——————— বুলি জনা যায়।

(iii) একন প্ৰতিশ্ৰুতি পত্ৰত যিজন ব্যক্তিয়ে টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে তেওঁক ———————— বুলি কোৱা হয়।

(iv) এজন বক্তি যিজন ব্যক্তিয়ে আন ব্যক্তিৰ হৈ এখন প্ৰতিশ্ৰুতি পত্ৰ পৃষ্ঠাংকন কৰে তেওঁক ———————— বুলি জনা যায়।

## 8.4 বিলৰ ম্যাদৰ পূৰ্ণতা (Maturity of Bill)

ম্যাদৰ পূৰ্ণতা শব্দটোৱে এখন বিনিময় পত্ৰ বা এখন প্ৰতিশ্ৰুতি পত্ৰত পৰিশোধ কৰাৰ তাৰিখক বুজাইছে। ম্যাদৰ তাৰিখ পোৱাৰ পিছত অতিৰিক্ত তিনিদিন যোগ কৰি দিয়া হয়। সেয়েহে, যদি 30 দিনৰ পিছত পৰিশোধ কৰিবলগীয়া এখন বিনিময় পত্ৰ 5 মাৰ্চত গ্ৰহীত হয়, তেন্তে ইয়াক পৰিশোধৰ তাৰিখ হ'ব 7 এপ্ৰিল, অৰ্থাৎ 5 মাৰ্চৰ 33 দিন পিছত। আনহতে যদি বিলখনৰ পৰিশোধৰ সময় এমাহ হয়, তেতিয়াহলে বিল পৰিশোধৰ তাৰিখ হ'ব 4 এপ্ৰিল অৰ্থাৎ 5 মাৰ্চৰ এমাহ তিনিদিন পিছত। যদি বিল পৰিশোধৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হয়, তেতিয়াহলে বিলৰ পৰিশোধৰ তাৰিখ হ'ব প্ৰকৃত তাৰিখৰ এদিন আগত। এই ক্ষেত্ৰত 8 এপ্ৰিল ৰাজহুৱা বন্ধৰ দিন হয়, তেন্তে পৰিশোধ কৰিবলগীয়া তাৰিখ হ'ব 7 এপ্ৰিল। কিন্তু যেতিয়া চৰকাৰৰ দ্বাৰা 'হস্তান্তৰযোগ্য দলিল আইন, 1881' ৰ অধীনত জৰুৰী বন্ধ ঘোষণা কৰা হয় আৰু যদি সেই দিনটো বিনিময় পত্ৰ পৰিশোধৰ দিন হয়, তেন্তে বিলৰ পৰিশোধ ঠিক পিছৰ কৰ্মৰ দিনত কৰিব লাগিব। উদাহৰণস্বৰূপে যদি চৰকাৰে 8 এপ্ৰিলৰ তাৰিখটো বন্ধৰ দিন ঘোষণা কৰে, যি তাৰিখত বাৰ্মাৰ ওপৰত গুপ্তাই প্ৰস্তুত কৰা 20000

টকাৰ বিলৰ পৰিশোধৰ তাৰিখ আছিল তেতিয়া 'হস্তান্তৰযোগ্য দলিল আইন'ৰ অধীনত 8 এপ্ৰিল তাৰিখটো ৰাজহুৱা বন্ধৰ দিন হোৱা বাবে 9 এপ্ৰিল তাৰিখত ইয়াক পৰিশোধ কৰা হ'ব।

## 8.5 **বিলৰ বাট্টাকৰণ** (Discounting of Bill)

যদি বিলৰ ধাৰকৰ (Holder of the Bill) টকাৰ প্ৰয়োজন হয়, তেন্তে তেওঁ বিল পৰিশোধ কৰা তাৰিখৰ আগত বেংকত বিলখন বাট্টাকৰণৰ বাবে উপস্থাপন কৰিব পাৰে। তেতিয়া বংকে বিলখন বাট্টাৰ বিনিময়ত বিলৰ টকা পৰিশোধ কৰিব পাৰে। এই ধৰণে বিনিময় পত্ৰ বেংকত ভঙোৱাকে বিলখনৰ বাট্টাকৰণ বোলা হয়। বিল পৰিশোধৰ তাৰিখত বেংকে বিল গ্ৰহীতাৰ পৰা মূল্য আদায় কৰে।

## 8.6 **বিলৰ পৃষ্ঠাংকন** (Endorsement of Bill)

বিনিময় পত্ৰৰ যিকোনো ধাৰকে যদিহে বিনিময় পত্ৰত 'পৃষ্ঠাংকন কৰিব নোৱাৰা' শব্দটো শন্নিবিষ্ট কৰা নাথাকে, তেতিয়া পাওনাদাৰলৈ বিলখন পৃষ্ঠাংকন কৰিব পাৰি। সাধাৰণতে বিলৰ ধাৰকে বিলৰ সিপিঠিত স্বাক্ষৰ আৰু পৃষ্ঠাংকন গ্ৰহীতাৰ নাম লিখি পৃষ্ঠাংকন কাৰ্য সম্পন্ন কৰে। এইদৰে বিনিময় পত্ৰ স্বাক্ষৰ কৰি হস্তান্তৰ কৰাকে বিনিময় পত্ৰৰ পৃষ্ঠাংকন কৰা বোলে।

## 8.7 **হিচাপকৰণৰ ব্যৱস্থা** (Accounting Treatment)

যিজনে বিলখন প্ৰস্তুতকৰে আৰু বিলখন গ্ৰহীত হোৱাৰ পিছত ঘূৰাই পায়, সেইজন ব্যক্তিৰ বাবে এইখন প্ৰাপ্য বিল (Bill Receivable)। আনহাতে যিজন ব্যক্তিয়ে ইয়াক গ্ৰহীত কৰে তেঁওৰ বাবে এইখন হ'ব প্ৰদেয় বিল (Bill Payable)। প্ৰতিশ্ৰুতি পত্ৰৰ ক্ষেত্ৰত প্ৰস্তুতকৰোতা জনৰ বাবে এইখন প্ৰদেয় হ'ব আৰু যিজন ব্যক্তিৰ বাবে প্ৰতিশ্ৰুতি পত্ৰ প্ৰস্তুত কৰা হৈছে তেওঁৰ কাৰণে এইখন প্ৰাপ্য হ'ব। প্ৰাপ্য বিলসমূহ হৈছে দেনা (Liabilities) বিনিময় পত্ৰ আৰু প্ৰতিশ্ৰুতি পত্ৰসমূহ সালসলনি কৰি ব্যৱহৃত হয়।

### 8.7.1 *বিল কাৰক/পাওনাদাৰৰ বহীত (In the books of Drawer/Promissor)*

এখন বিনিময় পত্ৰ ইয়াক গ্ৰহণ কৰোতাজনে তলত দিয়া চাৰি ধৰণে বহন কৰিব পাৰে ঃ

1. তেওঁ বিলৰ পৰিশোধৰ তাৰিখলৈ বিলখন নিজৰ লগত ৰাখিব পাৰে আৰু

(a) পৰিশোধ কৰিবৰ দিনা নিজে বিলৰ মূল্য গ্ৰহণ কৰিব পাৰে বা

(b) বেংকৰ জৰিয়তে নিজৰ টকা সংগ্ৰহ কৰিব পাৰে।

2. তেওঁ বিলখন বেংকত বাট্টাকৰণ (Discounting of Bill) কৰি বিলৰ টকা গ্ৰহণ কৰিব পাৰে।

3. তেওঁ বিলখন পাওনাদাৰলৈ পৃষ্ঠাংকন (Endorsement) কৰিব পাৰে।

তলত নিৰ্দিষ্ট তাৰিখত প্ৰস্তুত হোৱা বিলৰ জাবেদা প্ৰবিষ্টি সমূহ বিল কাৰক বহীত দেখুওৱা হ'ল।

(1) যেতিয়া বিনিময় পত্ৰখন বিল কাৰকে পৰিশোধ কৰা তাৰিখলৈ নিজৰ লগত ৰাখে,

(a) বিলখন গ্ৰহণ হোৱাৰ সময়ত -

প্ৰাপ্য বিল হিচাপ ডেঃ

প্ৰতি দেনাদাৰৰ হিচাপ

(b) বিলৰ টকা পৰিশোধ হোৱাৰ সময়ত -

নগদ/বেংক হিচাপ ডেঃ

প্ৰতি প্ৰাপ্য বিল হিচাপ

যদিও কেতিয়াবা বিল কাৰকে বিলখন নিজৰ লগত ৰাখি পৰিশোধ কৰা তাৰিখৰ কেইদিনমান আগত বেংকক সংগ্ৰহৰ বাবে দিয়ে, তেতিয়া তলৰ প্ৰবিষ্টিসমূহ দিব লাগিব -

(a) বিলখনৰ টকা সংগ্ৰহ কৰিব দিয়াৰ সময়ত -

সংগ্ৰহৰ বাবে পঠিওৱা বিলৰ হিচাপ ডেঃ

প্ৰতি প্ৰাপ্য বিল হিচাপ

(b) বেংকে বিলৰ টকা সংগ্ৰহ কৰাৰ পিছত -

বেংক হিচাপ ডেঃ

প্ৰতি সংগ্ৰহৰ বাবে পঠিওৱা বিলৰ হিচাপ

(2) যেতিয়া বিল কাৰকে বিলৰ টকা বেংকত বাট্টাকৰণৰ জৰিয়তে পাব পাৰে-

(a) বিলখন গ্ৰহণ হোৱাৰ সময়ত -

প্ৰাপ্য বিল হিচাপ ডেঃ

প্ৰতি দেনাদাৰৰ হিচাপ

(b) বিলখন বাট্টাকৰণ হোৱাৰ পিছত -

বেংক হিচাপ ডেঃ

বাট্টা হিচাপ ডেঃ

প্ৰতি প্ৰাপ্য বিল হিচাপ

(c) পৰিশোধৰ তাৰিখত (on the date of Maturity)-

কোনো প্ৰবিষ্টি দিয়া নহ'ব কাৰণ বিলখন ইতিমধ্যে বেংকৰ হৈছে। গতিকে বেংকে বিল গ্ৰহীতাৰ পৰা বিলৰ টকা সংগ্ৰহ কৰিব আৰু বিল কাৰকৰ বহী কোনো প্ৰবিষ্টি দিয়া নহ'ব।

(3) যেতিয়া বিল কাৰকে বিনিময় পত্ৰখন পাওনাদৰলৈ পৃষ্ঠাংকন কৰে -

(a) বিলখন গ্ৰহণ কৰাৰ সময়ত -

প্ৰাপ্য বিল হিচাপ ডেঃ

প্ৰতি দেনাদাৰ হিচাপ

(b) বিলখন পৃষ্ঠাংকন কৰোতে -

পাওনাদাৰৰ হিচাপ ডেঃ

প্ৰতি প্ৰাপ্য বিল হিচাপ

(c) *পৰিশোধৰ তাৰিখত (on Maturity)*

কোনো প্ৰবিষ্টি লিপিবদ্ধ কৰা নহ'ব কাৰণ বিনিময় পত্ৰখন পাওনাদাৰলৈ পৃষ্ঠাংকৃত কৰা হৈছে, সেয়েহে বিনিময় পত্ৰখনৰ মালিক হ'ব পাওনাদাৰজন আৰু তেওঁ পৰিশোধ কৰিবলগীয়া তাৰিখত ইয়াৰ টকা বিল গ্ৰহীতাৰ পৰা সংগ্ৰহ কৰিব। গতিকে বিল কাৰক বা পৃষ্ঠাংকনকৰ্তাৰ বহীত কোনো প্ৰবিষ্টি লিপিবদ্ধ কৰা নহ'ব।

### *8.7.2 বিল গ্ৰহীতা/প্ৰতিশ্ৰুতিদাতাৰ বহীত (In the books of Acceptors/Promissor)*

চাৰিওটা বিকল্প পদ্ধতিৰ বাবে বিল গ্ৰহীতা বা প্ৰতিশ্ৰুতিদাতাৰ বহীত তলৰ জাবেদা প্ৰবিষ্টিসমূহ লিপিবদ্ধ কৰা হ'ব। তেওঁৰ বহীত বিল বাট্টাকৰণ, পৃষ্ঠাংকন আদিয়ে কোনো প্ৰভাৱ নেপেলায়।

(a) বিলখন গ্ৰহণ কৰোতে -

পাওনাদাৰৰ হিচাপ ডেঃ

প্ৰতি প্ৰদেয় বিল হিচাপ

(b) বিলখন পৰিশোধ কৰাৰ পিছত -

প্ৰদেয় বিল হিচাপ ডেঃ
প্ৰতি বেংক হিচাপ

**কোঠালী-3**

**1. যেতিয়া বিলকাৰকে নিৰ্দিষ্ট তাৰিখলৈ বিলখন নিজৰ লগত ৰাখি পৰিশোধৰ সময়ত নিজে বিলৰ টকা সংগ্ৰহ কৰে ঃ**

| লেনদেন | বিলকাৰক/পাওনাদাৰৰ বহীত | বিলগ্ৰহীতা/দেনাৰৰ বহীত |
|---|---|---|
| সামগ্ৰীৰ বিক্ৰয়/ক্ৰয় | দেনাদাৰৰ হিচাপ ডেঃ<br>প্ৰতি বিক্ৰয় হিচাপ | ক্ৰয় হিচাপ ডেঃ<br>প্ৰতি পাওনাদাৰৰ হিচাপ |
| পোৱা/গ্ৰহণ কৰোতে | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি দেনাদাৰ হিচাপ | পাওনাদাৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ |
| বিলৰ টকা পৰিশোধ কৰোতে | নগদ হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি নগদ হিচাপ |

**2. যেতিয়া বিলকাৰকে বিনিময় পত্ৰৰ ধন সংগ্ৰহ কৰিবৰ বাবে বিলখন বেংকত জমা দিয়ে ঃ**

| লেনদেন | পাওনাদাৰৰ/বিলকাৰকৰ বহীত | দেনাদাৰ/বিলগ্ৰহীতাৰ বহীত |
|---|---|---|
| সামগ্ৰীৰ বিক্ৰয়/ক্ৰয় | দেনাদাৰ হিচাপ ডেঃ<br>প্ৰতি বিক্ৰয় হিচাপ | ক্ৰয় হিচাপ ডেঃ<br>প্ৰতি পাওনাদাৰৰ হিচাপ |
| বিল গ্ৰহীত হোৱাৰ পাছত | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি দেনাদাৰ হিচাপ | পাওনাদাৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ |
| বেংকত সংগ্ৰহৰ বাবে পঠিওৱাৰ সময়ত | সংগ্ৰহৰ বাবে পঠিওৱা বিল হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ |
| বিলৰ টকা সংগ্ৰহ হোৱাৰ পিছত | বেংক হিচাপ ডেঃ<br>প্ৰতি সংগ্ৰহৰ বাবে পঠিওৱা বিল হিচাপ | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ |

**3. যেতিয়া বিলকাৰকে বিলখন বেংকত বাট্টাকৰণ কৰে ঃ**

| লেনদেন | পাওনাদাৰৰ/বিলবিলাকৰ বহীত | দেনাদাৰ/বিল গ্ৰহীতাৰ বহীত |
|---|---|---|
| সামগ্ৰীৰ বিক্ৰয়/ক্ৰয় | দেনাদাৰৰ হিচাপ ডেঃ<br>প্ৰতি বিক্ৰয় হিচাপ | ক্ৰয় হিচাপ ডেঃ<br>প্ৰতি পাওনাদাৰৰ হিচাপ |
| বিল গ্ৰহীত হোৱাৰ পিছত | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি দেনাদাৰ হিচাপ | পাওনাদাৰৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ |
| বিলখন বাট্টাকৰণ কৰোতে | বেংক হিচাপ ডেঃ<br>বাট্ট হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ | --- |
| পৰিশোধৰ সময়ত | --- | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ |

**4. যেতিয়া বিল এখন প্ৰস্তুতকাৰকে (Drawer) তেওঁৰ পাওনাদাৰলৈ (Creditors) হস্তান্তৰ কৰে ঃ**

| লেনদেন (Transaction) | পাওনাদাৰ (Creditor) প্ৰস্তুতকাৰক (Drawer)ৰ বহীত | দেনাদাৰ (Debtors) প্ৰাপক (Drawer) ৰ বহীত |
|---|---|---|
| পণ্য বিক্ৰয়/ক্ৰয়ৰ বাবে (Sale/Purchase of Goods) | দেনাদাৰৰ হিচাপ ডেবিত<br>বিক্ৰী হিচাপলৈ | ক্ৰয় হিচাপে ডেবিত<br>পাওনাদাৰৰ হিচাপলৈ |
| বিলৰ গ্ৰহণ/স্বীকৃতি প্ৰদান (Receiving/Accepting the Bill) | পাবলগা বিলৰ হিচাপ ডেবিত<br>দেনাদাৰৰ হিচাপলৈ | পাওনাদাৰৰ হিচাপ ডেবিত<br>দেয় বিলৰ হিচাপলৈ |
| বিলৰ হস্তান্তৰ (Endorsing the Bill) | পাওনাদাৰৰ হিচাপ ডেবিত<br>পাবলগা বিলৰ হিচাপলৈ | কোনো প্ৰবিষ্টিৰ প্ৰয়োজন নাই |
| পৰিশোধৰ সময়ত (on Maturity of Bill) | প্ৰবিষ্টিৰ প্ৰয়োজন নাই | দেয় বিলৰ হিচাপ ডেবিত<br>বেংক হিচাপলৈ |

প্ৰাপক (Acceptor) আৰু প্ৰস্তুতকাৰক (Drawer) ৰ বহীত জাবেদা প্ৰবিষ্টিসমূহ তলত দিয়া হ'ল বা উল্লেখ কৰা হ'ল।

*উদাহৰণ -1*

1 জানুৱাৰী 2006 চনত অমিতে সুমিতলৈ 20,000 টকাৰ পণ্য বাকীত বিক্ৰী কৰিছিল। অমিতে ইয়াৰ বাবদ এখন তিনিমাহৰ বিনিময় পত্ৰ সুমিতৰ ওপৰত প্ৰস্তুত কৰিলে। সুমিতে স্বীকৃতি প্ৰদান কৰি অমিতলৈ ঘূৰাই দিলে। নিম্ন উল্লেখিত ঘটনাৱলীৰ জাবেদা প্ৰস্তুত কৰা।

(i) অমিতে বিলখনৰ টকা পৰিশোধৰ দিনলৈ হাতত ৰাখি টকা সংগ্ৰহ কৰিছিল।

(ii) অমিতে বিলখন বছৰি 12% হাৰত বাট্টাত ভঙালে।

(iii) অমিতে বিলখন তেওঁৰ পাওনাদাৰ অংকিতলৈ হস্তান্তৰ কৰিলে।

(iv) অমিতে 31 মাৰ্চ 2006 চনলৈ হাতত ৰাখি সংগ্ৰহৰ বাবে বেংকক প্ৰদান কৰে, 5 এপ্ৰিল 2006 চনত বেংকৰ পৰা সংগ্ৰহ পত্ৰ পায়।

*সমাধান ঃ*

**অমিতৰ বহীত (জাবেদা)**

**(i) যেতিয়া বিলখন পৰিশোধৰ দিনলৈ হাতত ৰাখে।**

| দিনাংক | বিৱৰণী | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 01.01.2006 | সুমিতৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(সুমিতলৈ বাকীত পণ্য বিক্ৰী কৰা হ'ল) | | 20,000 | 20,000 |
| 01.01.2006 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>সুমিতৰ হিচাপলৈ<br>(সুমিতৰ পৰা বিলৰ স্বীকৃতি পোৱাৰ বাবে) | | 20,000 | 20,000 |
| 05.04.2006 | বেংকৰ হিচাপ ডেঃ<br>প্ৰদেয় বিলৰ হিচাপলৈ<br>(বিলৰ টকা পৰিশোধ পোৱাৰ বাবে) | | 20,000 | 20,000 |

### (ii) বিলখন বাট্টাত ভঙোৱাৰ সময়ত

| | | | | |
|---|---|---|---|---|
| 01.01.2006 | সুমিতৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(সুমিতলৈ বাকীত পণ্য বিক্ৰী কৰা হ'ল) | | 20,000 | 20,000 |
| 01.01.2006 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>সুমিতৰ হিচাপলৈ<br>(সুমিতৰ পৰা বিলৰ স্বীকৃতি পোৱাৰ বাবে) | | 20,000 | 20,000 |
| 01.01.2006 | বেংকৰ হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেবিট<br>প্ৰাপ্য বিলৰ হিচাপলৈ | | 19,400<br>600 | 20,000 |

### (iii) যেতিয়া বিলখন তেওঁৰ পাওনাদাৰ অংকিতলৈ হস্তান্তৰ কৰে।

| | | | | |
|---|---|---|---|---|
| 01.01.2006 | সুমিতৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(সুমিতলৈ বাকীত পণ্য বিক্ৰী কৰা হ'ল) | | 20,000 | 20,000 |
| 01.01.2006 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>সুমিতৰ হিচাপলৈ<br>(সুমিতৰ পৰা বিলৰ স্বীকৃতি পোৱাৰ বাবে) | | 20,000 | 20,000 |
| 01.01.2006 | অংকিতৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(সুমিতৰ পৰা স্বীকৃতি পোৱা বিলখন অংকিতলৈ হস্তান্তৰ কৰা হ'ল) | | 20,000 | 20,000 |

**(iv) যেতিয়া অমিতে বিলৰ টকা সংগ্ৰহৰ বাবে বেংকলৈ পঠিয়াই।**

| | | | | |
|---|---|---|---|---|
| 01.01.2006 | সুমিতৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(সুমিতলৈ বাকীত পণ্য বিক্ৰী কৰা হ'ল) | | 20,000 | 20,000 |
| 01.01.2006 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>সুমিতৰ হিচাপলৈ<br>(সুমিতৰ পৰা বিলৰ স্বীকৃতি পোৱাৰ বাবে) | | 20,000 | 20,000 |
| 31.03.2006 | সংগ্ৰহৰ বাবে পঠিওৱা বিলৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(সংগ্ৰহৰ বাবে বিল বেংকত জমা দিয়া হ'ল) | | 20,000 | 20,000 |
| 05.04.2006 | বেংক হিচাপ ডেঃ<br>সংগ্ৰহকৰ বাবে পঠিওৱা বিলৰ হিচাপলৈ<br>(বেংকে বিল সংগ্ৰহ কৰিলে) | | 20,000 | 20,000 |

**(v) উল্লেখিত চাৰিটা পৰিস্থিতিত সুমিতৰ বহীত জাবেদাবোৰ হ'ল**

**সুমিতৰ বহীত জাবেদা**

| | | | | |
|---|---|---|---|---|
| 01.01.2006 | ক্ৰয় হিচাপ ডেঃ<br>অমিতৰ হিচাপলৈ<br>(অমিতৰ পৰা বাকীত পণ্য ক্ৰয় কৰাৰ বাবদ) | | 20,000 | 20,000 |
| 01.01.2006 | অমিতৰ হিচাপ ডেঃ<br>প্ৰদেয় বিলৰ হিচাপলৈ<br>(অমিতৰ বিলত স্বীকৃতি দিয়াৰ বাবদ) | | 20,000 | 20,000 |
| 04.04.2006 | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(বিলৰ টকা পৰিশোধৰ বাবদ) | | 20,000 | 20,000 |

*উদাহৰণ -2*

2006 চনৰ 15 মাৰ্চত ৰমেশে 8000 টকাৰ বস্তু দীপকক বিক্ৰী কৰিছিল, ৰমেশে তিনিমাহৰ বিল এখন দীপকৰ ওপৰত অংকন কৰিলে আৰু দীপকে স্বীকৃতি প্ৰদান কৰিলে। সেই বছৰৰ 15 এপ্ৰিল তাৰিখে ৰমেশে বিলখন তেওঁৰ পাওনাদাৰ (Credit) পুনমলৈ তেওঁৰ দিবলগীয়া 8,250 টকাৰ বাবদ বিলখন হস্তান্তৰ কৰিলে। পুনমে 12% হাৰে বিলখন ভঙাই লয়। পৰিশোধনীয় তাৰিখত দীপকে বিলৰ টকা পৰিশোধ কৰিলে ৰমেশ, পুনাম আৰু দীপকৰ বহীত প্ৰবিষ্টি দিয়া।

**ৰমেশৰ বহীত**

| দিনাংক | বিৱৰণ | খতিয়ান পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>15 মাৰ্চ | দীপকৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(দীপকক বাকীত বস্তু বিক্ৰী কৰা হ'ল) | | 8000 | 8000 |
| 15 মাৰ্চ | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>দীপকৰ হিচাপলৈ<br>(দীপকৰ পাবলগীয়া ৩ মাহৰ বিলৰ স্বীকৃতি পোৱা গ'ল) | | 8000 | 8000 |
| 15 মাৰ্চ | পুনমৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>বাট্টা হিচাপলৈ<br>(পুনমৰ ৮২৫০ টকাৰ বিনিময়ত পাবলগীয়া বিলখন হস্তান্তৰ কৰা হ'ল।) | | 8250 | 8000<br>250 |

## দীপকৰ বহীত

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>মাৰ্চ, 5 | ক্ৰয় হিচাপ ডেঃ<br>ৰমেশৰ হিচাপলৈ<br>(ৰমেশৰ পৰা বাকীত বস্তু ক্ৰয় কৰা হ'ল) | | 8000 | 8000 |
| মাৰ্চ, 5 | ৰমেশৰ হিচাপ ডেঃ<br>প্ৰদেয় বিলৰ হিচাপলৈ<br>(ৰমেশৰ তিনিমহীয়া বিলৰ স্বীকৃতি দিয়া হ'ল) | | 8000 | 8000 |
| জুন, 18 | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(পৰিশোধৰ দিনত ৰমেশৰ বিলৰ টকা পৰিশোধ কৰা হ'ল) | | 8000 | 8000 |

## পুনমৰ বহীত

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>মাৰ্চ, 15 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>ৰমেশৰ হিচাপলৈ<br>(ৰমেশৰ পৰা দিপকৰ স্বীকৃতি দিয়া বিলখন পোৱা গ'ল) | | 8000<br>250 | 8250 |
| মাৰ্চ, 15 | বেংকৰ হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(পাবলগীয়া বিলখন ১০% হাৰত বাট্টাত ভঙোৱা হ'ল) | | 7920<br>80 | 8000 |

## 8.8 বিল প্ৰত্যাখ্যান (Dishonour of Bill)

বিল গ্ৰহীতাই দেয় তাৰিখত বিলৰ টকা সম্পূৰ্ণ পৰিশোধ নকৰিলে বিলখন প্ৰত্যাখ্যান হোৱা বুলি কোৱা হয়। এই পৰিস্থিতিত বিলখন মূল্যহীন হৈ পৰে আৰু ইয়াৰ দায়িত্বৰ সমাপ্তি ঘটে। সেয়েহে বিল গ্ৰহণৰ সময়ত কৰা জাবেদাৰ প্ৰবিষ্টিটো প্ৰত্যাখ্যানৰ সময়ত ওলোটাকৈ দিয়া হয়। উদাহৰণস্বৰূপে অঞ্জুৱে বনোৱা আৰু মঞ্জুই স্বীকৃতি প্ৰদান কৰা বিলখন প্ৰত্যাখ্যান হ'ল।

প্ৰত্যাখ্যানৰ সময়ত অঞ্জুৰ বহীত দিবলগীয়া প্ৰবিষ্টিবোৰ হ'ল

*অঞ্জুয়ে দেয় তাৰিখলৈ বিলখন নিজৰ হাতত ৰাখিলে -*

মঞ্জুৰ হিচাপ ডেঃ

প্ৰাপ্য বিলৰ হিচাপলৈ

*অঞ্জুৱে বিলখন সন্ধ্যালৈ হস্তান্তৰ কৰিলে-*

মঞ্জুৰ হিচাপ ডেঃ

সন্ধ্যাৰ হিচাপলৈ

*অঞ্জুয়ে বাট্টাত বিলখন ভঙালে*

মঞ্জুৰ হিচাপ ডেঃ

বেংকৰ হিচাপলৈ

*অঞ্জুয়ে বিলখন সংগ্ৰহৰ বাবে পঠিয়ালে*

মঞ্জুৰ হিচাপ ডেঃ

সংগ্ৰহৰ বাবে পঠিওৱা বিলৰ হিচাপলৈ

**উদাহৰণ 3 ঃ**

সাহিবাই 1 জানুৱাৰী 2006, 10000 টকাৰ বস্তু বিশালক বিক্ৰী কৰিছিল আৰু তাৰ বাবে 2 মহীয়া বিল এখন বনালে। বিশালে বিলখনৰ স্বীকৃতি প্ৰদান কৰি সাহিবালৈ ঘুৰাই পঠালে, পৰিশোধনীয় তাৰিখত বিলখন প্ৰত্যাখ্যান হ'ল।

বিশাল আৰু সাহিবাৰ বহীত প্ৰয়োজনীয় প্ৰবিষ্টি দিয়া।

(i) যেতিয়া বিলখন সাহিবাই পৰিশোধনৰ দিনলৈ নিজৰ হাতত ৰাখে।

(ii) যেতিয়া সাহিবাই 200 টকা বাট্টাৰ বিনিময়ত বিলখন ভঙাই লয়।

(iii) যেতিয়া সাহিবাই লালচান্দলৈ বিলখন হস্তান্তৰ কৰে।

**সমাধান ঃ (i) যেতিয়া বিলখন সাহিবাই পৰিশোধৰ দিনলৈ ৰাখে**

**সাহিবাৰ বহীত**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>জানুৱাৰী, 01 | বিশালৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(বিশাললৈ বাকীত বস্তু বিক্ৰী কৰা হ'ল) | | 10,000 | 10,000 |
| জানুৱাৰী, 01 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বিশালৰ হিচাপলৈ<br>(বিশালৰ পৰা 2 মহীয়া বিলৰ স্বীকৃতি পোৱা গ'ল) | | 10,000 | 10,000 |
| মাৰ্চ, 04 | বিশালৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(বিশালৰ বিলখন প্ৰত্যাখ্যান হ'ল) | | 10,000 | 10,000 |

**(ii) যেতিয়া সাহিবাই বিলখন বাট্টাত ভঙালে**

**সাহিবাৰ বহীত**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>জানুৱাৰী, 01 | বিশালৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(বিশাললৈ বাকীত বস্তু বিক্ৰী কৰা হ'ল) | | 10,000 | 10,000 |

| | | | | |
|---|---|---|---|---|
| জানুৱাৰী, 01 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বিশালৰ হিচাপলৈ<br>(বিশালৰ পৰা 2 মহীয়া বিলৰ স্বীকৃতি পোৱা গ'ল) | | 10,000 | 10,000 |
| জানুৱাৰী, 01 | বেংকৰ হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(বিশালৰ বিলখন বাট্টাত ভঙোৱা হ'ল) | | 9800<br>200 | 10,000 |
| মাৰ্চ, 04 | বিশালৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(বিশালৰ বাট্টাত ভঙোৱা বিলখন প্ৰত্যাখ্যান হ'ল) | | 10,000 | 10,000 |

(iii) **যেতিয়া বিলখন সাহিবাই লালচান্দলৈ হস্তান্তৰ কৰে**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>জানুৱাৰী, 01 | বিশালৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(বিশাললৈ বাকীত বস্তু বিক্ৰী কৰা হ'ল) | | 10,000 | 10,000 |
| জানুৱাৰী, 01 | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বিশালৰ হিচাপলৈ<br>(বিশালৰ পৰা 2 মহীয়া বিলৰ স্বীকৃতি পোৱা গ'ল) | | 10,000 | 10,000 |
| জানুৱাৰী, 01 | লালচান্দৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(বিশালৰ বিলখন লালচান্দলৈ হস্তান্তৰ কৰা হ'ল) | | 10,000 | 10,000 |

| | | | | |
|---|---|---|---|---|
| মাৰ্চ, 04 | বিশালৰ হিচাপ ডেঃ<br>লালচান্দৰ হিচাপলৈ<br>(লালচান্দলৈ হস্তান্তৰ কৰা বিশালৰ বিলখন প্ৰত্যাখ্যান হ'ল) | | 10,000 | 10,000 |

**বিশালৰ বহীৰ জাবেদা**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>জানুৱাৰী, 01 | ক্ৰয় হিচাপ ডেঃ<br>সাহিবাৰ হিচাপলৈ<br>(সাহিবাৰ পৰা বস্তু ক্ৰয় কৰা হ'ল) | | 10,000 | 10,000 |
| জানুৱাৰী, 01 | সাহিবাৰ হিচাপ ডেঃ<br>প্ৰদেয় বিলৰ হিচাপলৈ<br>(সাহিবাৰ বিলত স্বীকৃতি দিয়া হ'ল) | | 10,000 | 10,000 |
| মাৰ্চ, 04 | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>সাহিবাৰ হিচাপলৈ<br>(সাহিবাৰ স্বীকৃতি দিয়া বিলখন প্ৰত্যাখ্যান কৰা হ'ল) | | 10,000 | 10,000 |

### 8.8.1 *লেখ্যপ্ৰমাণৰ মাচুল (Noting Charge)*

বিল প্ৰত্যাখ্যান হ'লে তাৰবাবে লেখ্যপ্ৰমাণৰ মাচুল বুলি এক ধৰণৰ খৰচ দিব লগা হয়। লেখ্য প্ৰমাণক (Notary Public) বুলি চৰকাৰে নিযুক্তি দিয়া এজন ব্যক্তি বা উকিলৰ দ্বাৰা কোনো বিল প্ৰত্যাখ্যান হ'লে লিখাই ল'ব লাগে। সেই লেখ্যপ্ৰমাণক (Notary Public) বিষয়াজনে বিল প্ৰত্যাখ্যান হোৱাত আৰু বিলৰ স্বীকৃতি দাতাৰ ওচৰত উপস্থাপনৰ বাবে যি মাচুল আদায় কৰে তকে লেখ্য

মাচুল বোলে।

তলত উল্লেখিত বিষয়সমূহ লেখ্যপ্ৰমাণকে (Notary Public) লিপিবদ্ধ কৰে।

- প্ৰত্যাখ্যানৰ দিন, কাৰণ আৰু বিষয়
- যদি ইচ্ছাকৃতভাৱে প্ৰত্যাখ্যান কৰা হোৱা নাছিল তেনেহ'লে প্ৰত্যাখ্যানৰ কাৰণ
- লেখ্য প্ৰমাণৰ মাচুল।

লেখ্যপ্ৰমাণৰ মাচুলৰ বাবে বিল প্ৰস্তুত কাৰকৰ বহীত দিবলগীয়া প্ৰবিষ্টিবোৰ হ'ল -

*যেতিয়া বিল প্ৰস্তুত কাৰকে পৰিশোধ কৰে*

বিল গ্ৰহীতাৰ হিচাপ ডেঃ

নগদ হিচাপলৈ

*যেতিয়া বিলখন হস্তান্তৰ কৰা হয় আৰু উক্ত ব্যক্তিজনে পৰিশোধ কৰে*

বিল গ্ৰহীতাৰ হিচাপ ডেঃ

হস্তান্তৰিত ব্যক্তিজনৰ হিচাপলৈ

*বাট্টাত ভঙোৱা বিলৰ বাবে যেতিয়া বেংকে পৰিশোধ কৰে*

বিল গ্ৰহীতাৰ হিচাপ ডেঃ

বেংকৰ হিচাপলৈ

*যেতিয়া সংগ্ৰহৰ বাবে বিলৰ বাবদ বেংকে পৰিশোধ কৰে -*

বিল গ্ৰহীতাৰ হিচাপ ডেঃ

বেংকৰ হিচাপলৈ

এইটো লক্ষণীয় যে যিয়েই লেখ্যপ্ৰমাণ মাচুল পৰিশোধ নকৰক কিয় অৱশেষত ইয়াক বিল গ্ৰহীতাইহে পৰিশোধ কৰিবলগা হয়। সেয়েহে যিকোনো ক্ষেত্ৰতে বিল গ্ৰহীতাৰ হিচাপ ডেবিত কৰা হয়। বিল গ্ৰহীতাৰ দোষতে বিলখন অগ্ৰাহ্য হয় সেয়েহে ইয়াৰ ক্ষতিপূৰণ তেওঁ বহন কৰিব লগা হয়। ইয়াৰ

বাবে বিলগ্ৰহীতাই তেওঁৰ বহীত দিয়া প্ৰবিষ্টি হ'ল - লেখ্যপ্ৰমাণৰ মাচুলৰ হিচাপ ডেবিট আৰু বিল প্ৰস্তুত কাৰকৰ হিচাপ ক্ৰেডিট কৰা হয়। উদাহৰণ স্বৰূপে - 1 জানুৱাৰীত আজাদে 15,000 টকাৰ পণ্য বন্তীক বাকীত বিক্ৰী কৰে আৰু তাৰ বাবে এখন তিনিমহীয়া বিল প্ৰস্তুত কৰিলে। পৰিশোধৰ দিনত বিলখন অগ্ৰাহ্য হ'ল আৰু বিল প্ৰস্তুত কাৰকে লেখ্য প্ৰামাণক মাচুল 50 টকা ভৰিব লগা হ'ল। নিম্নলিখিত পৰিস্থিতিত আজাদ আৰু বন্তীৰ বহীৰ প্ৰবিষ্টিবোৰ দিয়া হ'ল।

(a) যেতিয়া আজাদে পৰিশোধৰ দিনলৈ বিলখন নিজৰ হাতত ৰাখে

(b) যেতিয়া আজাদে 12% বাট্টাৰ বিনিময়ত বিলখন ভঙাই লয়

(c) যেতিয়া আজাদে বিলখন তেওঁৰ পাওনাদাৰ চিত্ৰালৈ হস্তান্তৰিত কৰে।

**আজাদৰ বহীত প্ৰবিষ্টিবোৰ হ'ব**

(a) যেতিয়া আজাদে পৰিশোধৰ দিনলৈ বিলখন নিজৰ হাতত ৰাখে

**আজাদৰ বহীত - জাবেদা**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | বন্তিৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(বন্তিলৈ বাকীত বিক্ৰী কৰা হ'ল) | | 15,000 | 15,000 |
| 2006<br>1 জানুৱাৰী | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বন্তিৰ হিচাপলৈ<br>(পাবলগীয়া হিচাপৰ বাবে বন্তীৰ পৰা তিনিমহীয়া বিল পোৱা গ'ল) | | 15,000 | 15,000 |
| 2006<br>4 এপ্ৰিল | বন্তীৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>নগদ হিচাপলৈ<br>(বন্তীৰ বিলখন প্ৰত্যাখ্যান হ'ল আৰু তাৰ বাবদ লেখ্য প্ৰমাণ মাচুল ৫০ টকা দিয়া হ'ল) | | 15,050 | 15,000<br>50 |

(b) যেতিয়া বিলখন বাট্টাত ভঙোৱা হ'ল

আজাদৰ বহীত - জাবেদা

| দিনাংক | বিৱৰণ | | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | বন্তিৰ হিচাপ<br>বিক্ৰী হিচাপলৈ<br>(বন্তিলৈ বাকীত বিক্ৰী কৰা হ'ল) | ডেঃ | | 15,000 | 15,000 |
| 2006<br>1 জানুৱাৰী | প্ৰাপ্য বিলৰ হিচাপ<br>বন্তিৰ হিচাপলৈ<br>(পাবলগীয়া হিচাপৰ বাবে বন্তীৰ পৰা তিনিমহীয়া বিল পোৱা গ'ল) | ডেঃ | | 15,000 | 15,000 |
| 2006<br>1 জানুৱাৰী | বেংকৰ হিচাপ<br>বাট্টাৰ হিচাপ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(বন্তীৰ বিলখন বাট্টাত ভঙোৱা হ'ল) | ডেঃ<br>ডেঃ | | 14,500<br>450 | 15,000 |
| 2006<br>4 এপ্ৰিল | বন্তীৰ হিচাপ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>নগদ হিচাপলৈ<br>(বন্তীৰ বিলখন প্ৰত্যাখ্যান হ'ল আৰু তাৰ বাবদ লেখ্য প্ৰমাণ মাচুল ৫০ টকা দিয়া হ'ল) | ডেঃ | | 15,050 | 15,050 |

(c) যেতিয়া বিলখন পাওনাদাৰ চিত্ৰালৈ হস্তান্তৰ কৰা হয়

জাবেদা

| দিনাংক | বিৱৰণ | | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | বন্তিৰ হিচাপ<br>বিক্ৰী হিচাপলৈ<br>(বন্তিলৈ বাকীত বিক্ৰী কৰা হ'ল) | ডেঃ | | 15,000 | 15,000 |

| | | | | |
|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বন্তিৰ হিচাপলৈ<br>(পাবলগীয়া হিচাপৰ বাবে বন্তীৰ পৰা তিনিমহীয়া বিল পোৱা গ'ল) | | 15,000 | 15,000 |
| 2006<br>1 জানুৱাৰী | চিত্ৰাৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(বন্তীৰ বিলখন চিত্ৰালৈ হস্তান্তৰ কৰা হ'ল) | | 15,000 | 15,000 |
| 2006<br>4 এপ্ৰিল | বন্তীৰ হিচাপ ডেঃ<br>চিত্ৰাৰ হিচাপলৈ<br>(বন্তীৰ বিলখন প্ৰত্যাখ্যান হ'ল আৰু তাৰ বাবদ চিত্ৰাই ৫০ টকা লেখ্য প্ৰমাণক মাচুল পৰিশোধ কৰে) | | 15,050 | 15,050 |

**(d) ওপৰৰ প্ৰতিটো পৰিস্থিতিতে বন্তীৰ বহীত জাবেদা হ'ব**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | ক্ৰয় হিচাপ ডেঃ<br>আজাদৰ হিচাপলৈ<br>(আজাদৰ পৰা বাকীত পন্য ক্ৰয় কৰা হ'ল) | | 15,000 | 15,000 |
| 2006<br>1 জানুৱাৰী | আজদৰ হিচাপ ডেঃ<br>প্ৰদেয় হিচাপলৈ<br>(আজাদৰ তিনিমহীয়া বিলত স্বীকৃতি দিয়া হ'ল) | | 15,000 | 15,000 |
| 2006<br>4 এপ্ৰিল | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>লেখ্যপ্ৰমাণক মাচুল ডেঃ<br>আজাদৰ হিচাপলৈ<br>(আজাদৰ বিলখন প্ৰত্যাখ্যান হ'ল) | | 15,000<br>50 | 15,050 |

## 8.9 বিলৰ নবীকৰণ (Renewal of the Bill)

যেতিয়া বিলৰ গ্ৰাহকজনে ম্যাদ পূৰ্ণ হ'লেও টকা পৰিশোধ কৰিব নোৱাৰে তেতিয়া বিলৰ গ্ৰহীতাই বিল প্ৰস্তুত কাৰকক (Drawer) পুৰণি বিলৰ সলনি কৰি নতুন চৰ্ত্তমতে নতুন বিল প্ৰস্তুত কৰাৰ বাবে অনুৰোধ কৰে। অৱশ্যে এই ক্ষেত্ৰত পুৰণি বিলৰ টকাৰ লগত বৰ্দ্ধিত সময়ৰ বাবে সুদ দিব লগা হয় নাইবা কেতিয়াবা তেওঁ বিলৰ টকাৰ আংশিক অংশ পৰিশোধ কৰে আৰু বাকী থকা অংশৰ নতুন বিল বৰ্দ্ধিত সময়ৰ বাবে প্ৰস্তুত কৰে। ঋণৰ সময় বঢ়াই দিওঁতে সুদৰ হিচাপ লোৱা হয়। এইদৰে পুৰণি বিলখন বাতিল কৰি নতুন বিল প্ৰস্তুত কৰাকে বিলৰ নবীকৰণ বোলা হয়। উদাহৰণ স্বৰূপে - 10,0000 টকাৰ বিল এখনৰ পৰিবৰ্তে 3000 টকা পৰিশোধ কৰি বিলখন বাতিল কৰিলে আৰু এখন নতুনকৈ 9000 টকাৰ বাবে সুদ সহ বিল বনালে। বিল প্ৰস্তুতকাৰক আৰু বিল গ্ৰহীতাৰ বহীত - বিল প্ৰত্যাখ্যান হোৱাৰ সময়ৰ জাবেদাসমূহৰ দৰে একে ধৰণৰ প্ৰবিষ্টি হ'ব। সুদৰ বাবদ যদিহে নগদ ধনেৰে সুদ পৰিশোধ নকৰে যেতিয়া বিলগ্ৰহীতাৰ হিচাপ ডেবিট কৰা হ'ব আৰু সুদৰ হিচাপ ক্ৰেডিট কৰা হ'ব। আৰু বিল গ্ৰহীতাই সুদৰ হিচাপ ডেবিত কৰিব আৰু বিল প্ৰস্তুত কাৰকৰ হিচাপ ক্ৰেডিত কৰা হ'ব।

বিল নবীকৰণৰ বাবে সময়ত পুৰণি বিলখন বাতিলৰ বাবে, সুদ আৰু নতুন বিলৰ স্বীকৃতিৰ বাবে বিলৰ প্ৰস্তুতকাৰক আৰু গ্ৰহীতাৰ বহীত দিবলগীয়া প্ৰবিষ্টিসমূহ তলত উল্লেখ কৰা হ'ল -

**উদাহৰণ ঃ**

| *লেনদেন* | *বিল প্ৰস্তুতকাৰকৰ বহীত* | *বিল গ্ৰহীতাৰ বহীত* |
|---|---|---|
| বিলখন বাতিলৰ বাবে | বিল গ্ৰহীতাৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>বিল প্ৰস্তুকাৰকৰ হিচাপলৈ |
| সুদৰ বাবে | বিল গ্ৰহীতাৰ হিচাপ ডেঃ<br>সুদৰ হিচাপলৈ | সুদৰ হিচাপ ডেঃ<br>বিল প্ৰস্তুকাৰকৰ হিচাপলৈ |
| নতুন বিলৰ বাবে | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বিলগ্ৰহীতাৰ হিচাপলৈ | বিল প্ৰস্তুকাৰকৰ হিচাপ ডেঃ<br>প্ৰদেয় বিলৰ হিচাপলৈ |

1 ফেব্ৰুৱাৰী 2006 চনত ৰবিয়ে মোহনলৈ 1800 টকাৰ পণ্য বিক্ৰী কৰে। উক্ত দিনাখনে 3000 টকা পৰিশোধ কৰি বাকী টকাৰ বাবে এখন 3 মহীয়া বিল ৰবিয়ে প্ৰস্তুত কৰে। পৰিশোধৰ দিনত মোহনে ৰবিক বিলখন বাতিল কৰি এখন নতুন 2 মহীয়া বিল প্ৰস্তুত কৰিবলৈ অনুৰোধ জনায় আৰু 12 % সুদ প্ৰদান কৰাৰ কথা কয়। ৰবিয়ে মোহনৰ অনুৰোধ মানি লৈ 12 % সুদৰ হাৰত এখন 2 মহীয়া বিল প্ৰস্তুত কৰে আৰু পুৰণি বিলখন বাতিল কৰে। নিৰ্ধাৰিত দিনত বিলখন পৰিশোধ কৰা হয়। এই সম্পৰ্কত নিম্ন লিখিত জাবেদাসমূহ ৰবি আৰু মোহনৰ বহীত দিয়া হ'ব।

**ৰবিৰ বহীত জাবেদা**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>1 ফেব্ৰুৱাৰী | মোহনৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(মোহনলৈ বাকীত বস্তু বিক্ৰী কৰা হ'ল) | | 18,000 | 18,000 |
| 2006<br>1 ফেব্ৰুৱাৰী | নগদ হিচাপ ডেঃ<br>প্ৰাপ্যবিলৰ হিচাপ ডেঃ<br>মোহনৰ হিচাপলৈ<br>(মোহনৰ পৰা 3,000 টকা নগদ আৰু বাকী পৰীক্ষণৰ বাবে বিল পোৱা গ'ল) | | 3,000<br>15,000 | 18,000 |
| 2006<br>1 মে | মোহনৰ হিচাপ ডেঃ<br>প্ৰাপ্যবিলৰ হিচাপলৈ<br>সুদৰ হিচাপলৈ<br>( পুৰণি বিলখন বাতিল কৰি 300 টকা সুদৰ বিনিময়ত এখন নতুন বিল বনোৱাৰ ব্যৱস্থা কৰা হয়) | | 15,300 | 15,000<br>300 |
| 2006<br>4 মে | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>নগদ হিচাপ ডেঃ<br>মোহনৰ হিচাপলৈ হিচাপলৈ<br>(মোহনৰ পৰা নতুন বিলত স্বকৃতি পোৱা গ'ল) | | 15,000<br>300 | 15,300 |
| 2006<br>9 জুলাই | বেংকৰ হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>(মোহনৰ নতুন বিলৰ টকা পোৱা গ'ল) | | 15,000 | 15,000 |

## মোহনৰ বহীত জাবেদা

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>1 ফেব্ৰুৱাৰী | ক্ৰয় হিচাপ ডেঃ<br>ৰবিৰ হিচাপলৈ<br>(ৰবিৰ পৰা পণ্য ক্ৰয় কৰা হ'ল) | | 18,000 | <br>18,000 |
| 2006<br>1 ফেব্ৰুৱাৰী | ৰবিৰ হিচাপ ডেঃ<br>নগদ হিচাপলৈ<br>প্ৰদেয় বিলৰ হিচাপলৈ<br>(ৰবিৰ পৰা নগদ ৩০০০/ টকা আৰু বাকী টকাৰ বাবদ বিল পোৱা গ'ল) | | 18,000 | <br><br>3,000<br>15,000 |
| 2006<br>4 মে | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>সুদৰ হিচাপ ডেঃ<br>ৰবিৰ হিচাপলৈ<br>( পুৰণি বিলখন বাতিল কৰি ৩০০ টকা সুদৰ বাবদ এখন নতুন বিল বনোৱাৰ ব্যৱস্থা কৰা হ'ল) | | 15,000<br>300 | <br><br>15,300 |
| 2006<br>4 মে | ৰবিৰ হিচাপ ডেঃ<br>প্ৰদেয়বিলৰ হিচাপলৈ<br>নগদ হিচাপলৈ<br>(নতুন বিলত স্বীকৃতি দিয়া হ'ল আৰু ৩০০ টকা সুদ দিয়া হ'ল) | | 15,300 | <br>15,000<br>300 |
| 2006<br>9 জুলাই | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>বেংকৰ হিচাপলৈ<br>(নতুনকৈ স্বীকৃতি দিয়া বিলৰ টকা পৰিশোধ কৰা হ'ল) | | 15,000 | <br>15,000 |

## 8.10 বিলৰ অৱসৰ (Retiring of the Bill)

যেতিয়া বিল প্ৰাপক আৰু গ্ৰহীতাৰ সন্মতি ক্ৰমে বিলৰ পৰিশোধৰ দিনৰ আগতে অৱসৰৰ ব্যৱস্থা কৰা হয় তাকে বিলৰ অবসৰ বোলা হয়। যেতিয়া বিল গ্ৰহীতাৰ হাতত যথেষ্ট পৰিমাণৰ টকা থাকে তেতিয়া বিলগ্ৰহীতাই প্ৰাপকক নিৰ্ধাৰিত দিনৰ আগতে বিলৰ টকা পৰিশোধৰ ব্যৱস্থা কৰি দিয়ে। ইয়াকেই বিলৰ অৱসৰ সাধন বুলি কোৱা হয়।

বিলৰ সাধাৰণ নিয়ম অনুসৰি বিলৰ প্ৰাপক য়ে বিলৰ টকা নিৰ্ধাৰিত দিনতকৈ আগতে পোৱাৰ বাবে কিছু পৰিমাণৰ টকা ৰেহাই দিয়ে। এই ৰেহাইক ৰিবেট (Rebate) বুলি কোৱা হয় আৰু ইয়াক বিলৰ পৰিশোধ কৰিবলগীয়া দিন আৰু পৰিশোধৰ দিনৰ ভিতৰত থকা ব্যৱধানৰ ওপৰত ভিত্তি কৰি নিৰ্ণয় কৰা হয়। ইয়াৰ বাবদ সাধাৰণভাৱে সময়মতে পৰিশোধ কৰা বিলৰ নিচিনাকৈ হিচাপ ৰখা হয় মাত্ৰ ৰেহাই টকাৰ বাবেহে কিছু ব্যতিক্ৰম আহে।

বিল প্ৰাপকৰ (Drawer) বহীত নিম্ন লিখিত প্ৰবিষ্টি প্ৰদান কৰা হয়।

*বিলৰ অৱসায়ন আৰু ৰেহাইৰ বাবে*

নগদ হিচাপ ডেঃ

বিলৰ ৰেহাই হিচাপ ডেঃ

প্ৰাপ্য বিলৰ হিচাপলৈ

বিল গ্ৰহীতাৰ (Drawer) বহীত নিম্ন লিখিত প্ৰবিষ্টি প্ৰদান কৰা হয়।

প্ৰদেয় বিলৰ হিচাপ ডেঃ

নগদ হিচাপলৈ

বিলৰ ৰেহাই হিচাপলৈ

1 জানুৱাৰী 2006 ত অমিতে বাবলীলৈ 10,000 টকাৰ পণ্য বিক্ৰী কৰে আৰু তাৰ বাবদ অমিতে বাবলীৰ ওপৰত এখন 3 মহীয়া বিল বনায়। বাবলীয়ে বিলৰ স্বীকৃতি প্ৰদান কৰি অমিতলৈ ঘূৰাই পঠিয়ায়। 4 মাৰ্চ 2006 ত বাবলীয়ে 6 শতাংশ হাৰত ৰেহাই বিনিময়ত বিলৰ অৱসায়ন ঘটায়।

## অমিতৰ বহীত জাবেদা

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | বাবলীৰ হিচাপ ডেঃ<br>বিক্ৰী হিচাপলৈ<br>(বাবলীলৈ পণ্য ক্ৰয় কৰা হ'ল) | | 10,000 | 10,000 |
| 2006<br>1 জানুৱাৰী | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>বাবলীৰ হিচাপলৈ<br>(বাবলীৰ পৰাও মহীয়া বিলৰ স্বকৃতি পোৱা গ'ল) | | 10,000 | 10,000 |
| 2006<br>4 মাৰ্চ | বেংকৰ হিচাপ ডেঃ<br>বিলৰ বাবদ দিয়া ৰেহাই হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপলৈ<br>বাবলীৰ বিলখন অৱসায়ণ ঘটোৱা হয় আৰু ৰেহাই দিয়া হয়। | | 9950<br>50 | 10,000 |

## ওপৰোক্ত জাবেদাবোৰ খতিয়নত লিখা হ'ল

### বাবলীৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | বিক্ৰী | | 10,000 | 2006<br>1 জানুৱাৰী | প্ৰাপ্য বিলৰ হিচাপ | | 10,000 |
| | | | 10,000 | | | | 10,000 |

## প্ৰাপ্য বিলৰ হিচাপ

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 1 জানুৱাৰী | বাবলী | | 10,000 | 2006 1 জানুৱাৰী | নগদ বিলৰ বাবদ ৰেহাই | | 10,000 |
| | | | 10,000 | | | | 10,000 |

## বাবলীৰ বহীত জাবেদা

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট (টকা) | ক্ৰেডিট (টকা) |
|---|---|---|---|---|
| 2006 1 জানুৱাৰী | ক্ৰয় হিচাপ ডেঃ<br>অমিতৰ হিচাপলৈ<br>(অমিতৰ পৰা ক্ৰয় কৰা হ'ল) | | 10,000 | 10,000 |
| 2006 1 জানুৱাৰী | অমিতৰ হিচাপ ডেঃ<br>প্ৰদেয় বিলৰ হিচাপলৈ<br>(অমিতৰ ৩ মহীয়া বিলৰ স্বকৃতি দিয়া হ'ল) | | 10,000 | 10,000 |
| 2006 4 মাৰ্চ | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>নগদ হিচাপলৈ<br>বিলৰ বাবদ ৰেহাই হিচাপলৈ<br>(অমিতৰ বিলখনৰ অৱসায়ন ঘটোৱা হ'ল আৰু ৰেহাই পোৱা গ'ল) | | 10,000 | 9950<br>50 |

অমিতৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 1 জানুৱাৰী | প্ৰদেয় বিলৰ হিচাপ | | 10,000 | 2006 4 মাৰ্চ | ক্ৰয় হিচাপ | | 10,000 |
| | | | 10,000 | | | | 10,000 |

প্ৰদেয় বিলৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 4 মাৰ্চ | নগদ হিচাপ | | 9,950 | 2006 1 জানুৱাৰী | অমিতৰ হিচাপ | | 10,000 |
| | বিলৰ বাবদ ৰেহাই হিচাপ | | 50 | | | | |
| | | | 10,000 | | | | 10,000 |

## 8.11 প্ৰাপ্য বিলৰ বহী আৰু প্ৰদেয় বিলৰ বহী (Bill Receivable Book and Bills Payable Book)

যেতিয়া ব্যৱসায়ত বিল বিষয়ক লেনদেনৰ সংখ্যা অধিক হয়, প্ৰাপ্য আৰু প্ৰদেয় বিলৰ বাবদ ক্ৰমে প্ৰাপ্য বিলৰ বহী (Bills Receivable Book) আৰু প্ৰদেয় বিলৰ বহী (Bills Payable Book) নামৰ দুখন সহায়কাৰী জাবেদা ৰখা হয়। অৱশ্যে বিলৰ সংখ্যা কম হ'লে সাধাৰণ জাবেদাতেই বিলৰ লেনদেনবোৰ লিখা হয়। বাট্টা, হস্তান্তৰ কৰণ, বিলৰ নবীকৰণ (Renewal), বিলৰ অৱসায়ন (Retirement) আদি লেনদেনবোৰ জাবেদা প্ৰবিষ্টিৰেই লিখা হয়।

### *8.11.1 প্ৰাপ্য বিলৰ বহী (Bills Receivable Book)*

এই বহীত প্ৰাপ্য বিলৰ স্বীকৃতি, বিলৰ দিনাংক, পৰিশোধৰ দিন, বিলৰ স্বীকৃতিদাতাৰ নাম, পৰিশোধৰ ঠাই, টকাৰ পৰিমাণ ইত্যাদি সন্নিবিষ্ট কৰা হয়।

প্ৰাপ্য বিল বহীৰ নমুনা তলত দিয়া হ'ল

**প্ৰাপ্য বিল বহী** (Bills Receivable Book)

| বিলৰ সংখ্যা | বিল পোৱা তাৰিখ | বিলৰ তাৰিখ | কৰ পৰা পোৱা হ'ল | বিল কাৰক | বিল গ্ৰহীতা | ক'ত পৰি-শোধ হ'ব | বিলৰ ম্যাদ | বিলৰ দেয় তাৰিখ | খতিয়ন পৃষ্ঠা সংখ্যা | পৰিমাণ | ৰোকাৰ বহীৰ পৃষ্ঠা সংখ্যা | মন্তব্য |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | | | |

প্ৰাপ্য বিল বহী অইন বিশেষ জাবেদাৰ নিচিনা। ইয়াক সময়ে সময়ে যোগ কৰি মুঠ প্ৰাপ্য বিলৰ পৰিমাণ উলিওৱা হয় আৰু উক্ত পৰিমাণৰ টকা প্ৰাপ্য বিলৰ হিচাপত ডেবিট কৰি প্ৰতিজন ব্যক্তি যাৰ নামত বিলবোৰ অংকণ কৰা হৈছিল তেওঁলোকৰ হিচাপত ক্ৰেডিট কৰা হয়। প্ৰাপ্য বিলৰ হিচাপ সম্পত্তি হিচাপৰ (Assets Account) অন্তৰ্ভুক্ত সেয়েহে এই হিচাপত সদায় ডেবিট উদ্বৃত্ত (Debit Balance) থাকে। যি কোনো দিনতে থকা উদ্বৃত্ত পৰিমাণে পাবলগীয়া বিলৰ পৰিমাণকে বুজায়।

### *8.11.2 প্ৰদেয় বিল বহী (Bills Payable Book)*

ইয়াক প্ৰাপ্য বিল বহীৰ নিচিনাকৈ প্ৰস্তুত কৰা হয়। ইয়াৰ মুখ্য উদ্দেশ্য হ'ল আটাইবোৰ প্ৰাপ্য বিলৰ বিৱৰণবোৰ লিখি ৰখাৰ, যাতে ইয়াক ভৱিষ্যতৰ কোনো প্ৰয়োজনত ব্যৱহাৰ কৰিব পাৰি।

প্ৰদেয় বিল বহীৰ নমুনা তলত দিয়া হ'ল-

**প্ৰদেয় বিল বহী** (Bills Payable Book)

| বিলৰ সংখ্যা | বিল পোৱা তাৰিখ | বিলৰ তাৰিখ | কাক দিয়া হ'ল | বিল কাৰক | প্ৰাপক | ক'ত পৰি-শোধ হ'ব | বিলৰ ম্যাদ | বিলৰ দেয় তাৰিখ | খতিয়ন পৃষ্ঠা সংখ্যা | পৰিমাণ | পৰিশোধ কৰা তাৰিখ | ৰোকাৰ বহীৰ পৃষ্ঠা সংখ্যা | মন্তব্য |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | | | | |

**এই বহীৰ পৰা খতিয়নত লিখাৰ সময়ত প্ৰতিজন পাওনাদাৰৰ হিচাপ ডেবিট কৰা হয় আৰু নিৰ্দিষ্ট সময়ৰ মূৰত উদ্বৃত্ত নিৰ্ণয় কৰি খতিয়নত প্ৰদেয় বিলৰ হিচাপ ক্ৰেডিট কৰা হয়।** প্ৰদেয় বিলবোৰ দেনা হিচাপৰ অন্তৰ্ভুক্ত সেয়েহে এই হিচাপত সদায় ক্ৰেডিট উদ্বৃত্ত দেখা যায়। এই ক্ৰেডিট উদ্বৃত্ত সদায় সেই নিৰ্দিষ্ট দিনত পৰিশোধ কৰিবলগীয়া বিলৰ টকাৰ হিচাপৰ সমান হ'ব লাগিব। উদাহৰণ স্বৰূপে তলৰ ঘটনাবোৰ কেনেকৈ প্ৰাপ্য বিল বহী আৰু প্ৰাদেয় বিল বহীত লিপিবদ্ধ কৰি খতিয়ন লিখা হয় তাক দেখুওৱা হ'ল -

2006

(i) 7 জানুৱাৰী - এচ্ মিত্ৰই বনোৱা 9,32,500 টকাৰ 3 মহীয়া বিলত সন্মতি দিয়া হ'ল

(ii) 9 জানুৱাৰী - এচ্ ৰাৰদেনৰ 9,70,000 টকাৰ 2 মহীয়া বিলত সন্মতি দিয়া হ'ল।

(iii) 13 জানুৱাৰী - প্ৰধানে তেওঁৰ গ্ৰাহকৰ ওপৰত 39,000 টকাৰ বিল এখন বনায় আৰু ইয়াৰ সন্মতি লাভ কৰে।

## প্ৰাপ্য বিলৰ বহী (Bills Receivable Book)

| নং | বিলৰ তাৰিখ 2006 | পোৱাৰ তাৰিখ 2006 | কাৰ পাৰ বিল পালো | লিখক কাৰ বাবে পোৱা হ'ল | স্বীকৃতি দাত | ক'ত ঠাইত | পৰিশোধ কৰা কাল | দেয় তাৰিখ 2006 | খতিয়ন পৃঃ সঃ | পৰিমাণ (টকা) | নগদ বহীৰ পৃঃ সঃ | মন্তব্য |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 01 | জানুৱাৰী 07 | জানুৱাৰী 04 | এচ্ মিত্ৰ | নিজৰ | এচ্ মিত্ৰ | বোম্বে | 3 মাহ | 17 এপ্ৰিল | — | 1,32,500 | — | — |
| 01 | জানুৱাৰী 15 | জানুৱাৰী 14 | আৰ. ৰাকেশ | ঐ | আৰ. ৰাকেশ | অমৃতশৰ | 1 মাহ | 17 ফেব্ৰুৱাৰী | — | 25,500 | — | — |
| 01 | জানুৱাৰী 21 | জানুৱাৰী 21 | জি ঘোষ | ঐ | জি ঘোষ | কলকাতা | 2 মাহ | 24 মাৰ্চ | — | 31,000 | — | — |
| 04 | জানুৱাৰী 22 | জানুৱাৰী 17 | ডি. ধিমান | ডি. ধিমান | এ ভাকিল | বোম্বে | 3 মাহ | 20 এপ্ৰিল | — | 20,000 | — | — |
| 05 | জানুৱাৰী 23 | জানুৱাৰী 23 | ডি. কাংগা | নিজৰ | কে কাংগা | বাঙ্গালোৰ | 1 মাহ | 26 ফেব্ৰুৱাৰী | — | 30,000 | — | — |
| 06 | জানুৱাৰী 27 | জানুৱাৰী 20 | চি. চাহ | এম. মেজৰ | পিঃ পাৰচন | মাদ্ৰাছ | 2 মাহ | 23 মাৰ্চ | — | 35,000 | — | — |
| | | | | | | | | | | 2,73,500 | — | — |

## প্ৰদেয় বিলৰ বহী (Bills Payable Book)

| নং | বিলৰ তাৰিখ | কাক দিয়া হ'ল | প্ৰাপক বিলৰ লিখক | ক'ত দিব লাগিব | বিলৰ কাল | দেয় তাৰিখ | খতিয়ন পৃঃ সঃ | পৰিমাণ (টকা) | দিয়া তৰিখ | নগদ বহীৰ পৃঃ সঃ | মন্তব্য | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | 2006 | | | — | | 2006 | — | — | — | — | — | — |
| 01 | 09 জানুৱাৰী | এচ্ বাৰ্ডেন | এচ্ বাৰ্ডেন | | 2 মাহ | 31 মাৰ্চ | — | 97,000 | — | | | |
| 01 | 13 জানুৱাৰী | এচ্ প্ৰধান | প্ৰধান | | 3 মাহ | 16 এপ্ৰিল | — | 39,000 | — | | | |
| 01 | 18 জানুৱাৰী | এচ্ পৰাশৰ | এচ পৰাশৰ | | 2 মাহ | 21 মাৰ্চ | — | 42,000 | — | | | |
| 04 | 31 জানুৱাৰী | এ. ৰবৰ্ট | এ. ৰবাৰ্ট | | 1 মাহ | 3 মাৰ্চ | — | 21,500 | — | | | |
| | | | | | | | | 1,99,500 | | | | |

(iv) জানুৱাৰী -14

আৰ ৰাকেশৰ ওপৰত এখন 25,000 টকাৰ 1 মহীয়া বিল লিখা হ'ল আৰু তেওঁ পিছৰ দিনাই ইয়াত স্বীকৃতি দিলে।

(v) জানুৱাৰী -18

এচ. পৰাশৰৰ 42,000 টকাৰ 2 মহীয়া বিলত স্বীকৃতি দিয়া হ'ল।

(vi) জানুৱাৰী - 21

31,000 টকাৰ 2 মহীয়া বিলত জি. ঘোষৰ পৰা স্বীকৃতি পোৱা হ'ল।

(vii) জানুৱাৰী - 23

কে. খাংগাৰৰ পৰা 30,000 টকাৰ 1 মহীয়া বিলত স্বীকৃতি পোৱা হ'ল।

(ix) জানুৱাৰী -27

এম. মেয়ৰে লিখা আৰু পি. পাৰচনে 20 জানুৱাৰীত স্বকৃতি দিয়া 35,000 টকাৰ 2 মাহৰ পিছত পৰিশোধ কৰিব লগা বিল এখন পোৱা হ'ল।

(x) জানুৱাৰী - 31

এ. ৰবাৰ্টৰ 21,500 টকাৰ 1 মহীয়া বিলত স্বীকৃতি দিয়া হ'ল।

### এছ মিত্ৰৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006<br>1 জানুৱাৰী | বিক্ৰী | – | 1,32,000 | 2006<br>7 জানুৱাৰী | প্ৰাপ্য বিল | | 1,32,000 |
| | | | 1,32,000 | | | | 1,32,000 |

### আৰ ৰাকেশৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 14 জানুৱাৰী | বিক্ৰী | – | 25,000 | 2006 15 জানুৱাৰী | প্ৰাপ্য বিল | | 25,000 |
| | | | 25,000 | | | | 25,000 |

### জি ঘোষৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 21 জানুৱাৰী | বিক্ৰী | – | 31,000 | 2006 21 জানুৱাৰী | প্ৰাপ্য বিল | | 31,000 |
| | | | 31,000 | | | | 31,000 |

### ডি ধিমানৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 17 জানুৱাৰী | বিক্ৰী | – | 20,000 | 2006 22 জানুৱাৰী | প্ৰাপ্য বিল | | 20,000 |
| | | | 20,000 | | | | 20,000 |

কে. কংগাৰ হিচাপ

ডেঃ ক্রে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 23 জানুৱাৰী | বিক্ৰী | – | 30,000 | 2006 23 জানুৱাৰী | প্ৰাপ্য বিল | | 30,000 |
| | | | 30,000 | | | | 30,000 |

চি. চাহৰ হিচাপ

ডেঃ ক্রে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 20 জানুৱাৰী | বিক্ৰী | – | 35,000 | 2006 27 জানুৱাৰী | প্ৰাপ্য বিল | – | 35,000 |
| | | | 35,000 | | | | 35,000 |

প্ৰাপ্য বিলৰ হিচাপ

ডেঃ ক্রে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 31 জানুৱাৰী | বিভিন্ন দেনাদাৰ | – | 2,73,500 | 2006 31 জানুৱাৰী | সামৰণী উদ্বৃত্ত | – | 2,73,500 |
| | | | 2,73,500 | | | | 2,73,500 |

### এচ. বাৰ্ডেনৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 09 জানুৱাৰী | প্ৰদেয় বিল | – | 97,000 | 2006 09 জানুৱাৰী | ক্ৰয় | – | 97,000 |
| | | | 97,000 | | | | 97,000 |

### প্ৰধানৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 13 জানুৱাৰী | প্ৰদেয় বিল | – | 39,000 | 2006 13 জানুৱাৰী | ক্ৰয় | – | 39,000 |
| | | | 39,000 | | | | 39,000 |

### বি. পৰকাৰৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 18 জানুৱাৰী | প্ৰদেয় বিল | – | 42,000 | 2006 18 জানুৱাৰী | ক্ৰয় | – | 42,000 |
| | | | 42,000 | | | | 42,000 |

### এ. ৰবাৰ্টৰ হিচাপ

ডেঃ ক্রে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 31 জানুৱাৰী | প্ৰদেয় বিল | – | 21,500 | 2006 31 জানুৱাৰী | ক্ৰয় | – | 21,500 |
| | | | 21,500 | | | | 21,500 |

### প্ৰদেয় বিলৰ হিচাপ

ডেঃ ক্রে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2006 31 জানুৱাৰী | সামৰণী উদ্বৃত্ত | – | 1,99,500 | 2006 08 জানুৱাৰী | বিভিন্ন পাওঁনাদাৰ | – | 1,99,500 |
| | | | 1,99,500 | | | | 1,99,500 |

***টোকা*** ঃ বিল লিখা আৰু স্বীকৃতি দিয়া সদায়ে ইয়াৰ অন্তৰালত কিছুমান ক্ৰয় বিক্ৰয় লেনদেন থাকিবই। সেয়েহে এই দুখন বহীৰ লেনদেনবোৰৰ পৰা দেনাদাৰ আৰু পাওনাদাৰৰ খতিয়নলৈ ভূক্তকৰণ কৰোতে প্ৰয়োজনীয় ক্ৰয় বা বিক্ৰয়ৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া হ'ব বুলি ধৰা হয়।

***উদাহৰণ - 4***

2006 চনৰ 15 জানুৱাৰীত শশীনে নৰেনলৈ 30,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু নৰেনৰ ওপৰত সেই টকাখিনিৰ বাবে এখন 3 মহীয়া বিল লিখিলে। নৰেনে বিলখনত লগে লগেই স্বীকৃতি দিলে। 2009 চনৰ 31 জানুৱাৰীত 29,250 টকাত বিলখন বেংকত ভঙালে। দেয় তাৰিখে বিলখন প্ৰত্যাখ্যান হ'ল। নৰেনে 500 টকা সুতৰ সৈতে 10,500 টকা নগদ দিলে আৰু বাকী 20,000 টকাৰ বাবে এখন

2 মহীয়া বিলত স্বীকৃতি দিবলৈ সন্মত হ'ল। শশীনে নতুন বিলখন 20,400 টকাৰ নিষ্পত্তিৰ বাবে তেওঁৰ পাওনাদাৰ কপিললৈ পৃষ্ঠাংকন কৰিলে। নতুন বিলখন দেয় তাৰিখে পৰিশোধ কৰিলে।

শশীন আৰু নৰেনৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

**সমাধান ঃ**

**শশীনৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2006<br>15<br>জানুৱাৰী | নৰেন হিচাপ ডেঃ<br>প্ৰতি বিক্ৰয় হিচাপ –<br>(নৰেনক পণ্য বিক্ৰী কৰা হ'ল) | –<br>– | 30,000 | 30,000 |
| 15<br>জানুৱাৰী, | প্ৰপ্য বিলৰ হিচাপ ডেঃ<br>প্ৰতি নৰেনৰ হিচাপ –<br>(নৰেনৰ পৰা বিলত স্বকৃতি পোৱা হ'ল) | –<br>–<br>– | 30,000 | 30,000 |
| 31<br>জানুৱাৰী, | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিলৰ হিচাপ –<br>(নৰেনৰ বিলখন বেংকত ভঙোৱা হ'ল) | –<br>–<br>– | 29,250<br>750 | 30,000 |
| 19<br>এপ্ৰিল, | নৰেনৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>প্ৰতি সুদ হিচাপ<br>(নৰেনৰ বিলখন নাকচ হ'ল) | | 30,500 | 30,000<br>500 |
| 19<br>এপ্ৰিল, | বেংক হিচাপ ডেঃ<br>প্ৰাপ্য বিলৰ হিচাপ –<br>প্ৰতি নৰেনৰ হিচাপ<br>(নগদ টকা পোৱা হ'ল আৰু নতুন বিলত স্বীকৃতি দিয়া হ'ল) | –<br>– | 10,500<br>20,000 | 30,000 |

| | | | | |
|---|---|---|---|---|
| 2006<br>19<br>এপ্ৰিল | কপিলৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিলৰ হিচাপ –<br>প্ৰতি প্ৰাপ্য বাট্টাৰ হিচাপ<br>(নৰেনৰ বিলখন পৃষ্ঠাংকন কৰা হ'ল আৰু তেওঁৰ পৰা বাট্টা পোৱা হ'ল) | –<br>–<br>– | 20,800 | <br>20,000<br>800 |

**নৰেনৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2006<br>15<br>জানুৱাৰী | ক্ৰয় হিচাপ ডেঃ<br>প্ৰতি শশীনৰ হিচাপ –<br>(শশীনৰ পৰা পণ্য ক্ৰয় কৰা হ'ল) | –<br>– | 30,000 | <br>30,000 |
| 15<br>জানুৱাৰী, | শশীনৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিলৰ হিচাপ –<br>(শশীনৰ বিলত স্বকৃতি দিয়া হ'ল) | –<br>– | 30,000 | 30,000 |
| 19<br>এপ্ৰিল, | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>সুদ হিচাপ ডেঃ<br>প্ৰতি শশীনৰ হিচাপ –<br>(পুৰণি বিলখন নাকচ কৰা হ'ল আৰু সুদ ধৰা হ'ল) | –<br>–<br>– | 30,000<br>500 | <br><br>30,500 |
| 19<br>এপ্ৰিল, | শশীনৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>প্ৰতি প্ৰদেয় বিল হিচাপ<br>(শশীনক পৰিশোধ কৰা হ'ল আৰু নতুন বিলত স্বীকৃতি দিয়া হ'ল) | | 30,500 | <br>10,500<br>20,000 |
| 22<br>এপ্ৰিল, | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(দেয় তাৰিখে বিলখন পৰিশোধ কৰা হ'ল) | –<br>– | 20,000 | <br>20,000 |

**উদাহৰণ-5 ঃ**

2005 চনৰ 30 অক্টোবৰত অশোকে বিশালক 14,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু ক্ৰমে 2000û টকা, 4000 টকা, 8000 টকাৰ 2,3 আৰু 4 মহীয়া বিল লিখিলে আৰু বিশালে আটাইকেইখনতে স্বীকৃতি দিলে। অশোকে প্ৰথম বিলখন দেয় তাৰিখলৈ ৰাখি থলে, দ্বিতীয় বিলখন তেওঁৰ পাওনাদাৰ চেতানলৈ পৃষ্ঠাংকন কৰিলে আৰু তৃতীয় বিলখন 2005 চনৰ 03 ডিচেম্বৰত বছৰি 12% হাৰে বেংকত ভঙালে। প্ৰথম আৰু দ্বিতীয় বিল দুখন সময়মতে পৰিশোধ কৰিলে। কিন্তু, তৃতীয় বিলখন প্ৰত্যাখ্যান হ'ল আৰু বেংকে 50 টকা লেখ্য মাচুল দিব লগা হ'ল। 2006 চনৰ 3 মাৰ্চত বিশালে 4000 টকা আৰু লেখ্য মাচুল পৰিশোধ কৰিলে আৰু বাকী থকা টকাৰ 100 টকা সুদেৰে সৈতে এখন 2 মহীয়া বিলত স্বীকৃতি দিলে। নতুন বিলখন দেয় তাৰিখে বিশালে পৰিশোধ কৰিলে।

অশোক আৰু বিশালৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু অশোকৰ বহীত বিশালৰ হিচাপ আৰু বিশালৰ বহীত অশোকৰ হিচাপ প্ৰস্তুত কৰা।

**অশোকৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2005<br>30<br>অক্টোবৰ | বিশালৰ হিচাপ ডেঃ<br>প্ৰতি বিক্ৰয় হিচাপ<br>(বিশালক বাকীত পণ্য বিক্ৰী কৰা হ'ল) | –<br>– | 14,000 | 14,000 |
| 30<br>অক্টোবৰ | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>প্ৰতি বিশালৰ হিচাপ –<br>(ক্ৰমে 2000 টকাৰ, 4000 টকাৰ, 3 মহীয়া, 8000 টকাৰ, 4 মহীয়া,বিলত স্বীকৃতি পোৱা হ'ল) | –<br>– | 14,000 | 14,000 |
| 30<br>অক্টোবৰ | চেতানৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ –<br>(চেতানক দ্বিতীয় বিলখন পৃষ্ঠাংকন কৰা হ'ল) | –<br>– | 4,000 | 4,000 |

| | | | | |
|---|---|---|---|---|
| 2005 03 ডিচেম্বৰ | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ –<br>(তৃতীয় বিলখন বছৰি 12% হাৰে বাট্টাকৃত কৰা হ'ল) | –<br>– | 7,760<br>240 | 8,000 |
| 2006 02 জানুৱাৰী | বেংক হিচাপ ডেঃ<br>প্ৰাপ্য বিল হিচাপ –<br>(বিশালে প্ৰথম বিলখন দেয় তাৰিখে পৰিশোধ কৰিলে) | –<br>– | 2,000 | 2,000 |
| মাৰ্চ 03 | বিশাল হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(তৃতীয় বিলখন প্ৰত্যাখ্যান হ'ল 50 টকা লেখ্য মাচুল দিয়া হ'ল) | | 8,050 | 8,050 |
| 03 মাৰ্চ | নগদ হিচাপ ডেঃ<br>প্ৰতি বিশালৰ হিচাপ –<br>(বিশালৰ পৰা নগদ পোৱা হ'ল) | –<br>– | 4,050 | 4,050 |
| 03 মাৰ্চ | বিশালৰ হিচাপ ডেঃ<br>প্ৰতি সুদ হিচাপ –<br>(বৰ্দ্ধিত সময়ৰ বাবে বিশালক সুদ ধাৰ্য্য কৰা হ'ল) | –<br>– | 100 | 100 |
| 03 মাৰ্চ | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি বিশাল হিচাপ –<br>(বিশালৰ পৰা দুমহীয়া নতুন বিলত স্বীকৃতি পোৱা হ'ল) | | 4,100 | 4,100 |
| 06 মাৰ্চ | বেংক হিচাপ ডেঃ<br>প্ৰাপ্য বিল হিচাপ –<br>(দেয় তাৰিখে নতুন বিল পৰিশোধ কৰিলে) | –<br>– | 4,100 | 4,100 |

### বিশালৰ হিচাপ

ডেঃ ক্ৰে

| দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) | দিনাংক | বিৱৰণ | জাঃ পৃঃ | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2005 30 অক্টোবৰ | বিক্ৰী - | – | 14,000 | 2005 30 অক্টোবৰ | প্ৰাপ্য বিল | – | 14,000 |
| 2006 03 মাৰ্চ | বেংক - | – | 8050 | 2006 03 মাৰ্চ | নগদ | – | 4,050 |
| 03 মাৰ্চ | সুদ - | – | 100 | 03 মাৰ্চ | প্ৰাপ্য বিল | – | 4,100 |
| | | | 22,150 | | | | 22,150 |

*উদাহৰণ - 6*

2006 চনৰ 1 জানুৱাৰীত আশীৰ্বাদে আকৰ্শকৰ ওপৰত 10,000 টকাৰ এখন 3 মহীয়া বিল লিখিলে আৰু আশীৰ্বাদে সেই দিনাই বিলখনত স্বীকৃতি দিলে। আশীৰ্বাদ বিলখন আকৃতিক পৃষ্ঠাংকন কৰিলে। দেয় তাৰিখৰ আগতে আকৰ্শকে আশীৰ্বাদৰ ওচৰত আহি অনুৰোধ জনালে যে বছৰি 18% হাৰে সুদ ধৰি বৰ্দ্ধিত 3 মাহৰ বাবে বিলখন নবীকৰণ কৰিব লাগে। আশীৰ্বাদে এই প্ৰস্তাৱত সন্মত হ'ল। দেয় তাৰিখে আশীৰ্বাদক বিলখন পৰিশোধ কৰিলে। আশীৰ্বদৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া -

### আশীৰ্বাদৰ বহীত জাবেদা প্ৰবিষ্টি

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2006 01 জানুৱাৰী | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি আকৰ্শকৰ হিচাপ –<br>(আকৰ্শকৰ পৰা বিলত স্বীকৃতি পোৱা হ'ল) | –<br>– | 10,000 | <br>10,000 |

| | | | | |
|---|---|---|---|---|
| 2006 01 জানুৱাৰী | আকৃতিকৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিলৰ হিচাপ –<br>(আকৰ্শকৰ বিলখন আকৃতিকক পৃষ্ঠাংকন কৰা হ'ল) | –<br>– | 10,000 | 10,000 |
| 04 এপ্ৰিল | আকৰ্শকৰ হিচাপ ডেঃ<br>প্ৰতি আকৃতিকৰ হিচাপ –<br>(বিলখন নাকচ কৰা হ'ল) | –<br>– | 10,000 | 10,000 |
| 04 এপ্ৰিল | আকৃতিকৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(আকৃতিকক টকা পৰিশোধ কৰা হ'ল) | –<br>– | 10,000 | 10,000 |
| 04 এপ্ৰিল | আকৰ্শকৰ হিচাপ ডেঃ<br>প্ৰতি সুদ হিচাপ –<br>(আকৰ্শকৰ হিচাপত বছৰি 18% হাৰে সুদ ধৰাৰ বাবদ ) | –<br>– | 450 | 450 |
| 04 এপ্ৰিল | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি আকৰ্শকৰ হিচাপ –<br>(আকৰ্শকৰ পৰা নতুন বিলত স্বীকৃতি পোৱা হ'ল) | –<br>– | 10,450 | 10,450 |
| 07 জুলাই | বেংক হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ –<br>(নবীকৃত বিলৰ টকা পোৱা বাবদ) | –<br>– | 10,450 | 10,450 |

***উদাহৰণ* - 7**

অংকিতে নিকিতাক 6000 টকা দিব আছে। 2006 চনৰ 1এপ্ৰিলত অংকিতে এখন 3 মহীয়া প্ৰতিশ্ৰুতি পত্ৰ নিকিতাক দিলে আৰু নিকিতাই পত্ৰখন 5,700 টকাত বেংকত ভঙালে। দেয় তাৰিখে পত্ৰখন প্ৰত্যাখ্যান হ'ল। বেংকে 15 টকা লেখ্য মাচুল পৰিশোধ কৰিলে। অংকিতে 2000 টকা দিলে আৰু 100 টকা সুদেৰে সৈতে বাকী টকাৰ বাবে এখন 2 মহীয়া বিলত স্বীকৃতি দিলে। দেয় তাৰিখে

বিলখন আকৌ প্ৰত্যাখ্যান হ'ল। নিকিতাই 15 টকা লেখ্য মাচুল পৰিশোধ কৰিলে।

নিকিতাৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

***সমাধান ঃ***

**নিকিতাৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2006 01 এপ্ৰিল | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি অংকিতৰ হিচাপ –<br>(অংকিতৰ পৰা হিচাপ নিষ্পত্তিৰ বাবে প্ৰতিশ্ৰুতি পত্ৰ পোৱা হ'ল) | –<br>– | 6,000 | 6,000 |
| 01 এপ্ৰিল | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ<br>(অংকিতৰ প্ৰতিশ্ৰুতি পত্ৰখন 5,760 টকাত বেংকত ভঙোৱা হ'ল) | –<br>– | 5,760 | 6,000 |
| 04 জুলাই | অংকিতৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(অংকিতৰ প্ৰতিশ্ৰুতি পত্ৰখন প্ৰত্যাখ্যান হোৱাৰ বাবে লেখ্য মাচুল সহ বেংকক টকা দিব লগা হোৱা বাবে) | –<br>– | 6,015 | 6,015 |
| 04 জুলাই | নগদ হিচাপ ডেঃ<br>প্ৰতি আংকিতৰ হিচাপ –<br>(অংকিতৰ পৰা নগদ টকা পোৱা হ'ল) | –<br>– | 2,000 | 2,000 |
| 04 জুলাই | অংকিতৰ হিচাপ ডেঃ<br>প্ৰতি সুদৰ হিচাপ –<br>(বাকী থকা টকাৰ বাবে সুদ দিব লগা বাবদ) | | 100 | 100 |

| | | | | |
|---|---|---|---|---|
| 2006<br>04<br>জুলাই | প্ৰাপ্য বিলৰ হিচাপ ডেঃ<br>প্ৰতি অংকিতৰ হিচাপ —<br>(অংকিতৰ পাৰ ২ মহীয়া বিলত স্বীকৃতি পেৱা হ'ল) | –<br>– | 4,115 | <br>4,115 |
| 07<br>ছেপ্তেম্বৰ | অংকিতৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিলৰ হিচাপ —<br>(অংকিতৰ পাৰ পোৱা বিলখন প্ৰত্যাখ্যান হ'ল) | –<br>– | 4,115 | <br>4,115 |
| 07<br>ছেপ্তেম্বৰ | অংকিতৰ হিচাপ ডেঃ<br>প্ৰতি নগদ হিচাপ —<br>(লেখ্য মাচুল পৰিশোধ কৰা বাবদ) | | 15 | <br>15 |

*উদাহৰণ - 8*

2005 চনৰ 01 মেত মোহিতে 6,000 টকা 3 মহীয়া প্ৰতিশ্ৰুতি পত্ৰখন ৰহিতলৈ পঠাই দিলে। মেৰ 4 তাৰিখে বছৰি 18 % হাৰে ৰহিতে প্ৰতিশ্ৰুতি পত্ৰখন বেংকত ভঙালে। দেয় তাৰিখে পত্ৰখন প্ৰত্যাখ্যান হ'ল। বেংকে 10 টকা লেখ্য মাচুল দিব লগা হ'ল। ৰহিতে (লেখ্য মাচুল আৰু সুদেৰে সৈতে) 2,130 টকা নগদ দিলে আৰু বাকী 4,000 টকাৰ বাবদ এখন 2 মহীয়া প্ৰতিশ্ৰুতি পত্ৰ দিলে। দেয় তাৰিখে মোহিতে আকৌ ৰহিতৰ ওচৰ চাপিল আৰু অতিৰিক্ত 3 মাহৰ বাবে এখন বিল লিখিব কলে। ৰহিতে এই অনুৰোধত সন্মত হ'ল আৰু মোহিতে 200 টকা নগদ সুদ হিচাপে দিলে। অৱশেষত পত্ৰখন দেয় তাৰিখে পৰিশোধ কৰা হ'ল।

মোহিত আৰু ৰহিতৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া

*সমাধান ঃ*

**মোহিতৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2005<br>01<br>মে | ৰহিতৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ —<br>(প্ৰতিশ্ৰুতি পত্ৰখন ৰোহিতলৈ পঠোৱা হ'ল) | –<br>– | 6,000 | <br>6,000 |

| | | | | |
|---|---|---|---|---|
| 2005<br>04<br>আগষ্ট | প্ৰদেয় বিল হিচাপ ডেঃ<br>লেখ্য মাচুল হিচাপ ডেঃ<br>প্ৰতি ৰহিতৰ হিচাপ<br>(প্ৰতিশ্ৰুতি পত্ৰখন প্ৰত্যাখ্যান হ'ল আৰু লেখ্য মাচুল আদায় দিয়া হ'ল) | –<br>– | 6,000<br>10 | 6,010 |
| 04<br>আগষ্ট | সুদৰ হিচাপ ডেঃ<br>প্ৰতি ৰহিতৰ হিচাপ<br>(আংশিক নবীকৰণৰ বাবে ৰহিতক সুদ দিয়া বাবদ) | –<br>– | 120 | 120 |
| 04<br>আগষ্ট | ৰহিতৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ –<br>প্ৰতি নগদ হিচাপ<br>(2130 টকা দিয়া হ'ল আৰু 4000 টকাৰ বাবে এখন পত্ৰ পঠোৱা হ'ল ) | –<br>– | 6,130 | 4,000<br>2,130 |
| 07<br>অক্টোবৰ | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি ৰহিতৰ হিচাপ –<br>(দেয় তাৰিখে বিলখন নাকচ হ'ল) | –<br>– | 4,000 | 4,000 |
| 07<br>অক্টোবৰ | সুদ হিচাপ ডেঃ<br>প্ৰতি ৰহিতৰ হিচাপ –<br>(বৰ্দ্ধিত সময়ৰ বাবে নবীকৃত বিলত সুদ ধৰা বাবদ) | –<br>– | 200 | 200 |
| 07<br>অক্টোবৰ | ৰহিতৰ হিচাপ ডেঃ<br>প্ৰতি নগদ হিচাপ –<br>প্ৰতি প্ৰদেয় বিল হিচাপ<br>(নতুন বিলত স্বীকৃতি দিয়া আৰু টকা পঠোৱা বাবদ) | –<br>–<br>– | 4,200 | 200<br>4,000 |
| 2006<br>09<br>জানুৱাৰী | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>প্ৰতি নগদ হিচাপ –<br>(দেয় তাৰিখে বিলখন পৰিশোধ হ'ল) | –<br>– | 4,000 | 4,000 |

## ৰহিতৰ বহীত জাবেদা প্ৰৱিষ্টি

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2005 01 মে | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি মোহিত হিচাপ –<br>(মোহিতৰ পৰা প্ৰতিশ্ৰুতি পত্ৰখন পোৱা হ'ল) | –<br>– | 6,000 | 6,000 |
| 04 মে | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ<br>(মোহিতৰ বিলখন বছৰি 18% হাৰে 3মাহৰ বাবে ভঙোৱা বাবদ) | –<br>– | 5,730<br>270 | 6,000 |
| 04 আগষ্ট | মোহিত হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(পত্ৰখন প্ৰত্যাখ্যান হোৱাৰ বাবে 10 টকাৰে সৈতে মুঠ টকা বেংকক আদায় দিয়া বাবদ) | –<br>– | 6,010 | 6,010 |
| 04 আগষ্ট | মোহিত হিচাপ ডেঃ<br>প্ৰতি সুদ হিচাপ –<br>(মোহিতে সুদ দিবলৈ সন্মত হোৱা বাবে) | –<br>– | 120 | 120 |
| 04 আগষ্ট | নগদ হিচাপ ডেঃ<br>প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি মোহিত হিচাপ –<br>(তেওঁৰ পৰা নগদ টকা আৰু প্ৰতিশ্ৰুতি পত্ৰ পোৱা হ'ল) | | 2,130<br>4000 | 6,130 |
| 07 অক্টোবৰ | মোহিত হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ –<br>(বিলখন নাকচ কৰা বাবে) | | 4000 | 4000 |

| | | | | |
|---|---|---|---|---|
| 2005<br>07<br>অক্টোবৰ | মোহিত হিচাপ ডেঃ<br>প্ৰতি সুদ হিচাপ<br>(মোহিতৰ পৰা সুদ পোৱা বাবে) | –<br>– | 200 | <br>200 |
| 07<br>অক্টোবৰ | নগদ হিচাপ ডেঃ<br>প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি মোহিত হিচাপ<br>(মোহিতৰ পৰা নগদ টকা আৰু বিল পোৱা বাবে) | –<br>– | 200<br>4,000 | <br><br>4,200 |
| 2006<br>10<br>জানুৱাৰী | নগদ/বেংক হিচাপ ডেঃ<br>প্ৰাপ্য বিল হিচাপ –<br>(দেয় তাৰিখে বিল পৰিশোধ কৰা বাবে) | | 4,000 | <br>4,000 |

### কি বুজিলা চোৱা - (iii)

***খালী ঠাই পূৰ কৰা ঃ***

(i) এখন বাণিজ্যক বিল এবিধ ______ পত্ৰ।

(ii) এখন বাণিজ্যিক বিল ______ লিখে তেওঁৰ ______ ওপৰত।

(iii) এখন প্ৰতিশ্ৰুতি পত্ৰ ______ লিখে ______ হকে।

(iv) বাণিজ্যিক বিলৰ ক্ষেত্ৰত ______ পক্ষ থাকে।

(v) প্ৰতিশ্ৰুতি পত্ৰৰ ক্ষেত্ৰত ______ পক্ষ থাকে।

(vi) এখন বিলৰ ক্ষেত্ৰত বিলৰ লিখক আৰু ______ একে পক্ষ হ'ব নোৱাৰে।

(vii) ভাৰতীয় ভাষাত বাণিজ্যিক বিলক ______ কোৱা হয়।

(viii) ______ তাৰিখ উলিয়াবলৈ বিলৰ কালৰ লগত ______ দিন যোগ দিয়া হয়।

## 8.12 উপযোজক বিল (Accommodation Bill) ঃ

আচলতে পণ্যৰ বাকী লেনদেনৰ প্ৰয়োজনীয় টকা যোগানৰ বাবে বাণিজ্যিক বিল বা প্ৰতিশ্ৰুতি পত্ৰ প্ৰয়োগ কৰা হয়। অৰ্থাৎ এজন বিলৰ লিখকক বিল গ্ৰহীতাই বাণিজ্যিক দেনাৰ নিষ্পত্তিৰ বাবে বিলত স্বীকৃতি দিয়ে আৰু বিলক বাণিজ্যিক বিল বুলি কোৱা হয়। যিহেতু ই দৈনন্দিন ব্যৱসায়িক লেনদেনৰ ঋণৰ পৰা সৃষ্টি হয়, সেয়েহে ইয়াক আইনমতে বলৱৎযোগ্য। উদাহৰণস্বৰূপে, অংকিতে বিন্দৰ পৰা বাকীত পণ্য কিনিলে, তেওঁৰ ওপৰত বিন্দুৱে লিখা বিলত স্বীকৃতি দি এই পৰিশোধ স্থগিত ৰাখিব পাৰে। যদি বিন্দুৱে বিচাৰে, তেন্তে উক্ত বিলখন লগে লগে বাট্টাত বেংকত ভঙাব পাৰে। বাকীত পণ্য কিনিবৰ বাবে টকা যোগান ধৰাৰ উপৰিও, বাণিজ্যিক বিল বা প্ৰতিশ্ৰুতি পত্ৰ সাময়িক বিত্তৰ অভাৱ পূৰণৰ বাবেও ব্যৱহাৰ কৰিব পাৰি। এনেকুৱা বিলত যিহেতু স্বীকৃতি দাতাই বিলৰ লিখকক সুবিধা দিয়ে, সেয়েহে ইয়াক উপযোজক বিল বুলিও কোৱা হয়। সেয়েহে গ্ৰহীতাক সুবিধাদাতা (accommodating Party) আৰু বিলৰ লিখকক সুবিধা পাওতা (accommodation Party) বুলি কোৱা হয়।

উদাহৰণস্বৰূপে ঃ 2006 চনৰ 1 এপ্ৰিল তাৰিখে ৰাজে পালৰ ওপৰত 10,000 টকাৰ এখন 3 মহীয়া বিল লিখিলে আৰু ৰাজক সুবিধা দিবৰ বাবে বিলখন স্বীকৃতি দিলে। একে দিনাই ৰাজে বছৰি 6% হাৰে বেংকত বাট্টাত ভঙালে। ৰাজে পালক বিলৰ দেয় তাৰিখৰ আগতে টকাখিনি পঠাই দিলে। পালে বেংকক পৰিশোধ কৰি দিলে।

**সমাধান ঃ**

**ৰাজৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | | খতিয়ান পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|---|
| 2006 01 এপ্ৰিল | প্ৰাপ্য বিলৰ হিচাপ | ডেঃ | – | 10,000 | |
| | প্ৰতি পাল হিচাপ | – | – | | 10,000 |
| | (পালৰ পৰা বিলত স্বীকৃতি পোৱা হ'ল) | | | | |
| 01 এপ্ৰিল | বেঙ্ক হিচাপ | ডেঃ | – | 9,850 | |
| | বাট্টা হিচাপ | ডেঃ | – | 150 | |
| | প্ৰতি প্ৰাপ্য বিল হিচাপ | | – | | 10,000 |
| | (পালৰ বিলখন বেংকত ভঙোৱা হ'ল) | | | | |

| | | | | |
|---|---|---|---|---|
| 2006<br>03<br>জুলাই | পালৰ হিচাপ ডেঃ<br>প্ৰতি বেঙ্ক হিচাপ –<br>(উপৰোক্ত বিল পৰিশোধৰ বাবে টকা দিয়া হ'ল) | –<br>– | 10,000 | 10,000 |

**পালৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ান পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2006<br>01<br>এপ্ৰিল | ৰাজৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ –<br>(ৰাজে লিখা উপযোজক বিলত স্বীকৃতি দিয়া হ'ল) | –<br>– | 10,000 | 10,000 |
| 03<br>জুলাই | বেংক হিচাপ ডেঃ<br>প্ৰতি ৰাজৰ হিচাপ –<br>(ৰাজে পঠোৱা টকা পোৱা হ'ল) | –<br>–<br>– | 10,000 | 10,000 |
| 03<br>জুলাই | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(উপযোজক বিলখন পৰিশোধ কৰা হ'ল) | | 10,000 | 10,000 |

কেতিয়াবা উভয় পক্ষৰ সুবিধাৰ বাবে উপযোজক বিলৰ জৰিয়তে টকা সংগ্ৰহ কৰে। তলত দিয়া যিকোনো এটা উপায়েৰে এইটো কৰিব পাৰি।

(a) বিলৰ লিখক আৰু স্বীকৃতিদাতাই বিলৰ পৰা পোৱা টকা চুক্তিমতে উভয়ে ভগাই লয়।

(b) প্ৰত্যেকেই বিল লিখে আৰু স্বীকৃতি দিয়ে।

(a) এই ক্ষেত্ৰত বাট্টাকৰণ ব্যয় বিলৰ লিখক অৰু স্বীকৃতিদাতা উভয়ে বিলৰ টকা ভগোৱা অনুপাতত বহন কৰে কিন্তু, (b) ক্ষেত্ৰত বাট্টাকৰণ ব্যয় ভগাই বহন নকৰে। কাৰণ প্ৰতিটো পক্ষই নিজৰ নিজৰ বিলৰ সম্পূৰ্ণ টকা নিজেই ৰাখি থয়। দেয় তাৰিখে প্ৰত্যেকেই নিজৰ নিজৰ টকাৰ পৰা

বিল পৰিশোধ কৰে, যদিহে, প্ৰত্যেকেই একে সময় আৰু সমান পৰিমাণৰ টকাৰ বাবে বিল লিখে আৰু স্বীকৃতি দিয়ে। যেতিয়া এখন বিলৰ টকা উভয়ে ভগাই লয়, তেন্তে দেয় তাৰিখৰ আগতে বিলৰ লিখকে বিল গ্ৰহীতাক তেওঁৰ অংশটো দিব লাগে, যাতে তেওঁ সময়মতে বিলখন পৰিশোধ কৰিব পাৰে। ওপৰৰ আলোচনাৰ পৰা জনা গ'ল বাট্টাকাৰী প্ৰতিষ্ঠানৰ পৰা সাময়িক প্ৰয়োজনীয় বিত্ত যোগান ধৰাত উপযোজক বিলে উভয় পক্ষকেই সহায় কৰে।

***উদাহৰণ - 9***

আশু আৰু মোদিত দুয়োজনকে টকাৰ প্ৰয়োজন। 2005 চনৰ 01অক্টোবৰত 9,000 টকাৰ 2 মহীয়া বিল আশুৱে মোদিতৰ ওপৰত লিখিলে। মোদিতে বিলখনত স্বীকৃতি দি ওভতাই দিলে। আশুৱে সেই দিনাই বছৰি 5% হাৰে বেংকত ভঙালে আৰু আধা টকা মোদিতলৈ পঠালে। দেয় তাৰিখে আশুৱে প্ৰয়োজনীয় টকাখিনি মোদিতলৈ পঠাই দিলে। আৰু তেওঁ বিলখন পৰিশোধ কৰিলে। আশু আৰু মোদিতৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

***সমাধান ঃ***

**আশুৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | | খতিয়ান পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|---|
| 2005 | প্ৰাপ্য বিলৰ হিচাপ | ডেঃ | – | 9,000 | |
| 01 | প্ৰতি মোদিতৰ হিচাপ | – | – | | 9,000 |
| অক্টোবৰ | (পৰস্পৰৰ সুবিধাৰ বাবে উপযোজক বিল পোৱা হ'ল) | | | | |
| 01 | বেংক হিচাপ | ডেঃ | – | 8,925 | |
| অক্টোবৰ | বাট্টা হিচাপ | ডেঃ | – | 75 | |
| | প্ৰাপ্য বিল হিচাপ | | | | 9,000 |
| | (বিলখন বেংকত বাট্টাত ভঙোৱা হ'ল) | | | | |
| 01 | মোদিতৰ হিচাপ | ডেঃ | | 4,500 | |
| অক্টোবৰ | প্ৰতি নগদ হিচাপ | – | | | 4,500 |
| | প্ৰতি বাট্টা হিচাপ | | | | |
| | (বিলৰ আধা টকা মোদিতলৈ পঠোৱা হয়) | | | | |

| | | | | |
|---|---|---|---|---|
| 2005<br>04<br>ডিচেম্বৰ | মোদিতৰ হিচাপ ডেঃ<br>প্ৰতি নগদ হিচাপ –<br>(বিলৰ বাকী আধা টকা পঠোৱা হ'ল যাতে মোদিতে বিলখন পৰিশোধ কৰিব পাৰে) | –<br>– | 4,500 | 4,500 |

## মোদিতৰ বহীত জাবেদা প্ৰবিষ্টি

| দিনাংক | বিৱৰণ | খতিয়ান পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2005<br>01<br>অক্টোবৰ | আশুৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ –<br>( উভয়ৰ সুবিধাৰ বাবে উপযোজক বিলত স্বীকৃতি দিয়া হ'ল) | –<br>– | 9,000 | 9,000 |
| 01<br>অক্টোবৰ | নগদ হিচাপ ডেঃ<br>বাট্টাৰ হিচাপ ডেঃ<br>প্ৰতি আশুৰ হিচাপ –<br>(আশুৰ পৰা বাট্টকৃত বিলৰ আধা টকা পোৱা হ'ল) | –<br>– | 4,462·50<br>37·50 | 4,500 |
| 04<br>ডিচেম্বৰ | নগদ হিচাপ ডেঃ<br>প্ৰতি আশুৰ হিচাপ –<br>(আশুৱে পঠোৱা টকখিনি পোৱা হ'ল) | –<br>– | 4,500 | 4,500 |
| 05<br>ডিচেম্বৰ | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(উপযোজক বিলখন পৰিশোধ কৰা হ'ল) | –<br>– | 9,000 | 9,000 |

*উদাহৰণ -10*

ৰোহন আৰু ৰোহিত দুয়োকে সাময়িকভাবে টকাৰ প্ৰয়োজন। 2005 চনৰ 01 নবেম্বৰত ৰোহনে ৰোহিতৰ 5,000 টকাৰ দুমহীয়া বিলত স্বীকৃতি দিলে আৰু ৰোহিতে ৰোহনৰ 4,000 টকাৰ 3 মহীয়া বিলত স্বীকৃতি দিলে। দুয়োখন বিলকে উভয়ে ক্ৰমে 4,800 টকা আৰু 3,850 টকাত বেংকত ভঙালে। দেয় তাৰিখৰ আগতে বিলৰ পাৰ্থক্যৰ বাবে ৰোহিতে ৰোহনলৈ 1,000 টকা পঠালে। ৰোহন আৰু ৰোহিত প্ৰত্যেকেই দেয় তাৰিখে বিলবোৰ পৰিশোধ কৰিলে। ৰোহন আৰু ৰোহিতৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

*সমাধান ঃ*

**ৰোহনৰ বহীত জাবেদা প্ৰবিষ্টি**

| দিনাংক | বিৱৰণ | খতিয়ান পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2005 01 নবেম্বৰ | ৰোহিতৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ –<br>(উপযোজক বিলখনত স্বীকৃতি দিয়া হ'ল) | –<br>– | 5,000 | 5,000 |
| 01 নবেম্বৰ | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি ৰোহিতৰ হিচাপ –<br>(উপযোজক বিলত স্বীকৃতি পোৱা হ'ল) | | 4,000 | 4,000 |
| 01 নবেম্বৰ | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ<br>(বিলখন বেংকত বাট্টাকৃত কৰা হ'ল) | | 3,850<br>150 | 4,000 |
| 04 ফেব্ৰুৱাৰী | নগদ হিচাপ ডেঃ<br>প্ৰতি ৰোহিতৰ হিচাপ –<br>(বিল পৰিশোধৰ বাবে টকা পোৱা হ'ল) | | 1,000 | 1,000 |
| 04 ফেব্ৰুৱাৰী | প্ৰদেয় বিল হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(দেয় তাৰিখে বিল পৰিশোধ কৰা হ'ল) | | 5,000 | 5,000 |

### ৰোহিতৰ বহীত জাবেদা প্ৰবিষ্টি

| দিনাংক | বিৱৰণ | খতিয়ন পৃষ্ঠা | ডেবিট পৰিমাণ (টকা) | ক্ৰেডিট পৰিমাণ (টকা) |
|---|---|---|---|---|
| 2005 01 নৱেম্বৰ | ৰোহনৰ হিচাপ ডেঃ<br>প্ৰতি প্ৰদেয় বিল হিচাপ<br>(উপযোজক বিলত স্বীকৃতি দিয়া হ'ল) | –<br>– | 4,000 | 4,000 |
| 01 নৱেম্বৰ | প্ৰাপ্য বিল হিচাপ ডেঃ<br>প্ৰতি ৰোহনৰ হিচাপ<br>(উপযোজক বিলত স্বীকৃতি পোৱা হ'ল) | –<br>– | 5,000 | 5,000 |
| 01 নৱেম্বৰ | বেংক হিচাপ ডেঃ<br>বাট্টা হিচাপ ডেঃ<br>প্ৰতি প্ৰাপ্য বিল হিচাপ<br>(বিলখন বেংকত বাট্টাকৃত কৰা হ'ল) | –<br>– | 4,800<br>200 | 5,000 |
| 04 ফেব্ৰুৱাৰী | ৰোহনৰ হিচাপ ডেঃ<br>প্ৰতি নগদ হিচাপ<br>(ৰোহনলৈ নগদ টকা পঠোৱা হ'ল) | –<br>– | 1,000 | 1,000 |
| 04 ফেব্ৰুৱাৰী | প্ৰদেয় বিলৰ হিচাপ ডেঃ<br>প্ৰতি বেংক হিচাপ –<br>(দেয় তাৰিখে বিল পৰিশোধ কৰা হ'ল) | –<br>– | 4,000 | 4,000 |

**এই অধ্যায়ত ব্যৱহাৰ কৰা কিছুমান মুল শব্দ ঃ**

(a) বিলৰ কাৰক প্ৰস্তুতকৰ্তা (Drawer)

(b) বিল গ্ৰহীতা (Drawee)

(c) বিল প্ৰাপক (Payee)

(d) প্ৰাপ্য বিল (Bills Receivable)

(e) প্ৰদেয় বিল (Bills Payable)

(f) বিল লিখন বা প্রস্তুত কৰণ (Drawing of Bill)

(g) বিলৰ স্বীকৃতি (Acceptance of a Bill)

(h) বিলৰ পৰিশোধ (Payment of a Bill)

**শিকাৰ উদ্দেশ্যাৰে সাৰাংশ** *(Summary with reference to learning objectives)*

1. **দলিল হিচাপে বাণিজ্যিক বিল ঃ** বাণিজ্যিক বিল এনে এবিধ ব্যৱস্থা যাৰ সহায়ত দেনাদাৰ বা ক্ৰেতাই পাওনাদাৰ বা বিক্ৰেতাক বাকী লেনদেনৰ বাবে দিবলগীয়া টকা সোনকালে পৰিশোধ নকৰিলেও হয়। কিন্তু তেওঁ দিব লগা টকাৰ বাবে বিলত স্বীকৃতি দি পাওনাদৰক সন্তুষ্ট কৰিব লগা হয়।

2. **বাণিজ্যিক বিল আৰু প্ৰতিশ্ৰুতি পত্ৰৰ অৰ্থ ঃ** বাণিজ্যিক বিল হ'ল এজন ব্যক্তিয়ে আন এজন ব্যক্তিক ধাৰৰ বাবে দিয়া স্বীকাৰোক্তি, য'ত ধাৰ পৰিশোধৰ সকলো নিয়ম আৰু চৰ্ত্ত লিখা থাকে। প্ৰতিশ্ৰুতি পত্ৰ হ'ল দেনাদাৰে পাওনাদাৰক এই পত্ৰত উল্লেখ কৰা চৰ্ত্তমতে নিৰ্দিষ্ট পৰিমাণৰ টকা পৰিশোধৰ বাবে দিয়া লিখিত প্ৰতিশ্ৰুতি।

3. **বিল আৰু প্ৰতিশ্ৰুতি পত্ৰৰ মাজত পাৰ্থক্য ঃ**

   (i) বিল পাওনাদাৰে প্ৰস্তুত কৰে আৰু দেনাদাৰে স্বীকৃতি দিয়ে। আনহাতে প্ৰতিশ্ৰুতি পত্ৰ দেনাদাৰে প্ৰস্তুত কৰে।

   (ii) বিলৰ ক্ষেত্ৰত তিনিটা পক্ষ থাকে। প্ৰতিশ্ৰুতি পত্ৰত মাত্ৰ দুটা পক্ষ থাকে।

   (iii) বিলৰ মৰ্যাদা পাবৰ বাবে বিলত স্বীকৃতিৰ প্ৰয়োজন। আনহাতে, প্ৰতিশ্ৰুতি পত্ৰত নিজৰেই বিত্তীয় স্বীকৃতি আছে।

4. **বৈশিষ্ট্য আৰু সুবিধাসমূহ ঃ** বিল এবিধ চৰ্ত্তবিহীন লিখিত নিৰ্দেশ। ইয়াত পাওনাদাৰে চহী কৰে আৰু দেনাদাৰে স্বীকৃতি দিয়ে। বিলৰ টকা বিচৰাৰ লগে লগে বা নিৰ্দিষ্ট সময়ৰ অন্তত পৰিশোধ কৰিব লাগে।

## অনুশীলনী

***চমু উত্তৰ ঃ***

1. সাধাৰণতে ব্যৱহাৰ হোৱা দুবিধ সম্প্ৰদেয় পত্ৰৰ নাম লিখা।
2. বাণিজ্যিক বিল আৰু প্ৰতিশ্ৰুতি পত্ৰৰ মাজৰ দুটা পাৰ্থক্য লিখা।

3. বাণিজ্যিক বিলৰ 4 টা প্ৰয়োজনীয় বৈশিষ্ট্য উল্লেখ কৰা।
4. বাণিজ্যিক বিলৰ তিনিটা পক্ষ উল্লেক কৰা।
5. বিলৰ পূৰ্ণতা প্ৰাপ্ত (Maturity) বুলিলে কি বুজা?
6. বাণিজ্যিক বিলৰ প্ৰত্যাখ্যান মানে কি বুজা?
7. প্ৰতিশ্ৰুতি পত্ৰৰ পক্ষবোৰৰ নাম লিখা।
8. বাণিজ্যিক বিলৰ স্বীকৃতি বুলিলে কি বুজা?
9. বাণিজ্যিক বিলৰ লেখ্য মানে কি (Noting)?
10. বাণিজ্যিক বিলৰ নবীকৰণ মানে কি বুজা?
11. প্ৰাপ্য বিল বহীৰ নমুনা দিয়া।
12. প্ৰদেয় বিল বহীৰ নমুনা দিয়া।
13. বাণিজ্যিক বিলৰ অৱসৰ মানে কি বুজা?
14. ৰেহাইৰ অৰ্থটো লিখা (Rebate)
15. বাণিজ্যিক বিলৰ নমুনা দিয়া।

***দীঘলীয়া উত্তৰ ঃ***

1. "বাণিজ্যিক বিলত টকা পৰিশোধৰ বাবে এটা চৰ্ত্তবিহীন প্ৰতিশ্ৰুতি থাকিবই লাগিব।" এই মন্তব্যৰ লগত তুমি একমত নে?
2. বিল এখন প্ৰত্যাখ্যান হোৱা আৰু লেখ্যৰ পৰিণতি চমুকৈ ব্যাখ্যা কৰা।
3. বিলৰ দেয় তাৰিখ উলিওৱাৰ প্ৰক্ৰিয়াৰ বিষয়ে চমুকৈ উদাহৰণ সহ ব্যাখ্যা কৰা।
4. বাণিজ্যিক বিল আৰু প্ৰতিশ্ৰুতি পত্ৰৰ মাজৰ পাৰ্থক্যবোৰ লিখা।
5. দেনাদাৰ আৰু পাওনাদাৰে বিলৰ অৱসৰ লোৱাৰ উদ্দেশ্য আৰু সুবিধাবোৰ চমুকৈ ব্যাখ্যা কৰা।
6. প্ৰাপ্য বিল বহী ৰখাৰ উদ্দেশ্য আৰু সুবিধাবোৰ চমুকৈ ব্যাখ্যা কৰা।
7. প্ৰদেয় বিল বহী ৰখাৰ উদ্দেশ্য আৰু সুবিধাবোৰ চমুকৈ ব্যাখ্যা কৰা। ইয়াক কেনেকৈ খতিয়ন ভুক্ত কৰা হয়

*সাংখ্যিক প্ৰশ্ন ঃ*

1. 2006 চনৰ 01 জানুৱাৰীত ৰাওৰে ৰেড্ডিক 10,000 টকা পণ্য বিক্ৰী কৰিলে। আধা টকা লগে লগেই দিলে আৰু বাকী টকাৰ বাবে ৰাওৰে ৰেড্ডিৰ ওপৰত 30 দিনৰ পিছত পৰিশোধ কৰিবলগীয়া বিল লিখিলে। ৰেড্ডিয়ে বিলত স্বীকৃতি দি ৰাওলৈ ওভতাই দিলে। দেয় তাৰিখে ৰেড্ডিয়ে বিলখন পৰিশোধ কৰিলে। ৰাওৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু ৰেড্ডিৰ বহীত ৰাওৰ হিচাপ প্ৰস্তুত কৰা।

2. 2006 চনৰ 01 জানুৱাৰীত শংকৰে পাৰ্বতীৰ পৰা 8,000 টকাৰ পণ্য কিনিলে আৰু লগে লগেই পাৰ্বতীৰ হকে 3 মহীয়া প্ৰতিশ্ৰুতি পত্ৰ লিখিলে। প্ৰতিশ্ৰুতি পত্ৰৰ দেয় তাৰিখটো 1881 চনৰ হস্তান্তৰযোগ্য পত্ৰ আইন মতে চৰকাৰে বন্ধ ঘোষণা কৰিলে। যিহেতু, পাৰ্বতীয়ে দেয় তাৰিখ সম্পৰ্কে আইনৰ ব্যৱস্থাৱলীৰ বিষয়ে অজ্ঞ, সেয়েহে তেওঁ বিলখন উকিলক দিলে (Lawyer)। উকিলে সময়মতে বিলখন উপস্থাপন কৰিলে আৰু পৰিশোধ গ্ৰহণ কৰিলে। উকিলে লগে লগেই বিলখনৰ টকাবোৰ পাৰ্বতীক দিলে।

   পাৰ্বতী আৰু শংকৰৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

3. 2006 চনৰ 5 জানুৱাৰীত বিশালে অঞ্জুক 7,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু তাইৰ ওপৰত 2 মাহৰ পিছত দিবলগীয়া এখন বিল লিখিলে। মঞ্জুৰে বিলখন স্বীকৃতি দি ওভতাই দিলে। লগে লগেই বিশালে বিলখন বছৰি 12% হাৰে বেংকত ভঙালে। দেয় তাৰিখে মঞ্জুৰে বিলখন পৰিশোধ কৰিলে।

   বিশাল আৰু মঞ্জুৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

4. 2006 চনৰ 01 ফেব্ৰুৱাৰীত জনে জিমুৰ পৰা 15,000 টকাৰ পণ্য কিনিলে। তেওঁ লগে লগেই চেকেৰে 5,000 টকাৰ পৰিশোধ কৰিলে আৰু বাকী থকা টকাৰ বাবে জিমুৱে 40 দিনৰ পিছত দিব লগা এখন বিল লিখিলে। দেয় তাৰিখৰ 5 দিন আগতে জিমুৱে বিলখন সংগ্ৰহৰ বাবে বেংকলৈ পঠালে। বেংকে সময়মতে বিলখন উপস্থাপন কৰিলে আৰু দেয় তাৰিখে বিলখন পৰিশোধ হ'ল। বেংকে জিমুক কথাটো জনালে। জিমুৰ বহীত জনৰ হিচাপ আৰু জনৰ বহীত জিমুৰ হিচাপ প্ৰস্তুত কৰা।

5. 2006 চনৰ 15 জানুৱাৰীত কৰ্তাই ভগৱানক 15,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু ক্ৰমে এমহীয়া, দুমহীয়া আৰু তিনিমহীয়া প্ৰতিখনত 5,000 টকাকৈ তিনিখন বিল লিখিলে। প্ৰথম বিলখন দেয় তাৰিখলৈ হাততে ৰাখিলে। দ্বিতীয় বিলখন তেওঁৰ পাওনাদাৰ ৰত্নাৰ হাতলৈ পৃষ্ঠাংকন কৰিলে আৰু লগে লগেই বছৰি 6 % হাৰে বাট্টাত ভঙালে। আটাইকেইখন বিলেই ভগৱানে দেয় তাৰিখে পৰিশোধ কৰিলে।

কৰ্তা আৰু ভগৱানৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু প্ৰয়োজনীয় হিচাপ প্ৰস্তুত কৰি দেখুৱা।

6. 2006 চনৰ 1 জানুৱাৰীত অৰুনে সুনিলক 30,000 টকাৰ পণ্য বিক্ৰি কৰিলে। সুনিলে 50% মূল্য লগে লগেই আদায় দিলে আৰু ইয়াৰ বাবে অৰুনে 2 % নগদ বাট্টা দিলে। বাকী টকাৰ বাবে তেওঁ 20 দিনৰ পিছত দিব লগা এখন প্ৰতিশ্ৰুতি পত্ৰ অৰুনক দিলে। যিহেতু, দেয় তাৰিখটো এটা ৰাজহুৱা বন্ধৰ দিন, সেয়েহে 1881 চনৰ সম্প্ৰেদেয় দলিল আইন মতে এদিন পাচত বিলখন উত্থাপন কৰিলে। আৰু বিলখন পৰিশোধ হ'ল। পৰিশোধৰ বাবে কোন তাৰিখে বিলখন উত্থাপন কৰিলে আৰু ওপৰৰ লেনদেনৰ বাবে অৰুন আৰু সুনিলৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

7. 2006 চনৰ 8 জানুৱাৰীত দৰ্শনে বৰুণক 40,000 টকা বিক্ৰি কৰিলে আৰু তেওঁৰ ওপৰত 2 মাহৰ পাছত দিবলগীয়া এখন বিল লিখিলে। বৰুণে বিলখনত স্বীকৃতি দি দৰ্শনক ওভতাই দিলে। দেয় তাৰিখে বিলখন পৰিশোধ কৰিলে। দৰ্শন আৰু বৰুণৰ বহীত তলত দিয়া অৱস্থাত জাবেদা প্ৰবিষ্টি দিয়া ঃ

(i) যেতিয়া বিলখন দেয় তাৰিখলৈ দৰ্শনে হাততে ৰাখি থয়।

(ii) যেতিয়া দৰ্শনে বছৰি 6% হাৰে বেংকত লগে লগেই বাট্টাত ভঙালে।

(iii) যদিহে দৰ্শনে লগে লগেই বিলখন তেওঁৰ পাওনাদাৰ সুৰেশলৈ পৃষ্টাংকন কৰে।

(iv) যদিহে দেয় তাৰিখৰ 3 দিনৰ আগতে দৰ্শনে বেংকত সংগ্ৰহৰ বাবে বিলখন পঠায়।

8. বালশাল ট্ৰেডাৰ্চে লিখিত মূল্যৰ ওপৰত 10% হাৰে তেওঁলোকৰ পৰা কিনা পণ্যৰ ওপৰত ব্যৱসায়িক বাট্টা দিয়ে। খুচুৰা ব্যৱসায়ী মোহন ট্ৰেডাৰ্চে বানশাল ট্ৰেডাৰ্চৰ পৰা তলত দিয়া ক্ৰয়বোৰ কৰিলে।

| তাৰিখ | পৰিমাণ (টকা) |
|---|---|
| 2005 চনৰ 21 ডিচেম্বৰ | 1,000 |
| 2005 চনৰ 26 ডিচেম্বৰ | 1,200 |
| 2005 চনৰ 28 ডিচেম্বৰ | 2,000 |
| 2005 চনৰ 31 ডিচেম্বৰ | 5,000 |

সকলোবোৰ ক্রয়ৰ বাবে মোহন টেইলাৰ্চে 30 দিনৰ পিছত পৰিশোধ কৰিব লগা প্রতিশ্রুতি পত্র বানশাল ট্রেডাৰ্চৰ হকে লিখিলে। 2005 চনৰ 21 ডিচেম্বৰত বিক্রি কৰা পণ্যৰ বাবে পোৱা পত্রখন বানশাল ট্রেডাৰ্চে দেয় তাৰিখলৈ ৰাখি থলে। 2005 চনৰ 26 ডিচেম্বৰত লিখা পত্রখন বছৰি 12% হাৰে তেওঁৰ বেংকত ভঙালে। 2005 চনৰ 28 ডিচেম্বৰৰ পত্রখন বানশাল ট্রেডাৰ্চে তেঁওৰ পাওনাদাৰ ড্রিম চাপেললৈ 1900 টকা ক্রয় বাবে দেনা নিষ্পত্তিৰ বাবে পৃষ্ঠাংকন কৰা হ'ল। 2006 চনৰ 25 জানুৱাৰীত 2005 চনৰ 31 ডিচেম্বৰত লিখা পত্রখন সংগ্রহৰ বাবে বেংকলৈ পঠালে। আটাইবোৰ প্রতিশ্রুতি পত্রই মোহন ট্রেডাৰ্চে পৰিশোধ কৰিলে।

বানশাল ট্রেডাৰ্চ আৰু মোহন ট্রেডাৰ্চৰ বহীত প্রয়োজনীয় জাবেদা প্রবিষ্টি দিয়া। আৰু বানশাল ট্রেডাৰ্চৰ বহীত মোহন ট্রেডাৰ্চৰ আৰু মোহন ট্রেডাৰ্চৰ বহীত বানশাল ট্রেডাৰ্চৰ হিচাপবোৰ খোলা।

9. 2006 চনৰ 01 ফেব্রুৱাৰীত ৰবিন্দৰনৰ পৰা নাৰায়ণনে 25,000 টকাৰ পণ্য কিনিলে। ৰবিন্দৰনে নাৰায়ণৰ ওপৰত এই টকাৰ বাবে 30 দিনৰ পিছত দিব লগা এখন বিল লিখিলে। দেয় তাৰিখে নাৰায়ণনে বিলখন প্রত্যাখ্যান কৰিলে। তলত দিয়া অৱস্থা কেইটাত ৰবিন্দৰন আৰু নাৰায়ণৰ বহীত প্রয়োজনীয় জাবেদা প্রবিষ্টি দিয়া।

(i) যদিহে ৰবিন্দৰনে দেয় তাৰিখলৈ বিলখন নিজৰ হাততে ৰাখি থয়।

(ii) যদিহে ৰবিন্দৰনে বিলখন লগে লগে বছৰি 6% হাৰে বেংকত ভঙাই।

(iii) যদিহে বিলখন তেওঁৰ পাওনাদাৰ গণেশলৈ পৃষ্ঠাংকন কৰে।

(iv) যদিহে তেওঁ দেয় তাৰিখৰ আগতে বিলখন সংগ্রহৰ বাবে বেংকলৈ পঠায়।

10. 2006 চনৰ 01 ফেব্ৰুৱাৰীত ৰবীয়ে সুদৰ্শনক 40,000 টকাৰ পণ্য বিক্ৰি কৰিলে। তেওঁ সুদৰ্শনৰ ওপৰত 4 খন বিল লিখিলে। প্ৰথম বিলখন 5,000 টকাৰ এমহীয়া, দ্বিতীয় বিলখন 10,000/ টকাৰ আৰু 40 দিনৰ পিছত দিবলগীয়া, তৃতীয় বিলখন 12,000 টকাৰ আৰু 3 মাহৰ পিছত দিবলগীয়া আৰু চতুৰ্থ বিলখন বাকী টকাৰ বাবে আৰু 19 দিনৰ পিছত দিবলগীয়া। সুদৰ্শনে আটাইবোৰ বিলত স্বীকৃতি দি ৰবিলৈ ওভতাই দিলে। ৰবিয়ে প্ৰথম বিলখন বছৰি 6% হাৰে বেংকত ভঙালে। দ্বিতীয় বিলখন তেওঁৰ পাওনাদাৰ মোস্তাকৰ 10,200 টকাৰ ঋণৰ সম্পূৰ্ণ নিষ্পত্তিৰ বাবে পৃষ্ঠাংকন কৰিলে। তৃতীয় বিলখন ৰবিয়ে দেয় তাৰিখলৈ নিজৰ হাততে ৰাখিলে। চতুৰ্থ বিলখন দেয় তাৰিখৰ 5 দিনৰ আগতে সংগ্ৰহৰ বাবে তেওঁৰ বেংকলৈ পঠালে। দেয় তাৰিখে সুদৰ্শনে সকলোবোৰ বিল প্ৰত্যাখ্যান কৰিলে। সুদৰ্শনে প্ৰত্যাখ্যান হোৱাৰ 3 দিনৰ পাছত বিলৰ সময়ৰ (Period) বাবে বছৰি 12% হাৰে সুত ধৰি আটাইবোৰ বিল পৰিশোধ কৰিলে।

ৰবি, সুদৰ্শন, মোস্তাক আৰু বেংকৰ বহীত ওপৰৰ লেনদেনৰ বাবে প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া। লগতে ৰবিৰ বহীত সুদৰ্শন আৰু মোস্তাকৰ হিচাপ প্ৰস্তুত কৰা।

11. 2006 চনৰ 01 জানুৱাৰীত নেহাই মোস্কানক 20,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু 2 মাহ পিছত দিব লগা এখন বিল লিখিলে। দেয় তাৰিখৰ এমাহৰ আগতে মোস্কানে নেহাৰ ওচৰত আহি বছৰি 12% হাৰে ৰেহাই (Rebate) লৈ বিলখন পৰিশোধ কৰিব বিচাৰিলে। নেহাই তেওঁৰ অনুৰোধত সন্মতি দিলে আৰু মোস্কানক সেইমতেই বিলৰ পৰা অৱসৰ দিলে।

ওপৰৰ লেনদেনৰ বাবে নেহা আৰু মোস্তকানৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

12. 2006 চনৰ 15 জানুৱাৰীত ৰঘুৱে 35,000 টকা পণ্য দেবেন্দ্ৰক বিক্ৰী কৰিলে আৰু তেওঁৰ ওপৰত 3 খন বিল লিখিলে। প্ৰথম বিলখন 5,000 টকাৰ আৰু এমাহ পাছত দিবলগীয়া, দ্বিতীয় বিলখন 2,000 টকাৰ তিনিমাহৰ পিছত দিবলগীয়া আৰু তৃতীয় বিলখন বাকী টকাৰ বাবে 4 মাহৰ পিছত দিবলগীয়া। ৰঘুৱে তেওঁৰ পাওনাদাৰ দেৱানলৈ 5,200 টকা ঋণ সম্পূৰ্ণ নিষ্পত্তিৰ বাবে পৃষ্ঠাংকন কৰিলে। দ্বিতীয় বিলখন বছৰি 6% হাৰে বেংকত ভঙালে আৰু তৃতীয় বিলখন তেওঁ ম্যাদৰ অন্তলৈ ৰাখি থলে। দেয় তাৰিখে দেবেন্দ্ৰই প্ৰথম বিলখন প্ৰত্যাখ্যান কৰিলে আৰু 30 টকাৰ লেখ্য মাচুল দিলে। তৃতীয় বিলখন দেয় তাৰিখৰ 4 দিনৰ আগতে

বিলখন সংগ্ৰহৰ বাবে বেংকলৈ পঠালে। তৃতীয় বিলখন দেবেন্দ্ৰই প্ৰত্যাখ্যান কৰাৰ বাবে 200 টকা বেংকে লেখ্য মাচুল দিব লগা হ'ল। প্ৰত্যাখ্যানৰ 5 দিনৰ পিছত দেবেন্দ্ৰই 1,000 টকা সুতেৰে সৈতে আটাইকেইখন বিল পৰিশোধ কৰিলে। ইয়াৰ বাবে দেবেন্দ্ৰই হ্ৰস্যকালীন ঋণ ল'ব লগা হ'ল।

ৰঘু আৰু দেবেন্দ্ৰৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া আৰু ৰঘুৰ বহীত দেবেন্দ্ৰৰ হিচাপ আৰু দেবেন্দ্ৰৰ বহীত ৰঘুৰ হিচাপ প্ৰস্তুত কৰা।

13. 2006 চনৰ 15 জানুৱাৰীত বিমলে কমলৰ পৰা 25,000 টকাৰ পণ্য ক্ৰয় কৰিলে আৰু কমলে তেওঁৰ ওপৰত লিখা দুমাহৰ পিছত দিব লগা এখন বিলত স্বীকৃতি দিলে। দেয় তাৰিখে পৰিশোধৰ বাবে বিলখন সঠিক ভাবে উত্থাপন কৰা হ'ল। বিমলে বিলখন প্ৰত্যাখ্যান কৰিলে। তলৰ অৱস্থা কেইটাত কমল আৰু বিমলৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

(i) যদি দেয় তাৰিখলৈ কমলে বিলখন নিজৰ হাতত ৰাখি থয়।

(ii) বিলখন বছৰি 6% হাৰে লগে লগে বেংকত ভঙাই।

(iiii) কমলে তেওঁৰ পাওনাদাৰ শাৰদলৈ পৃষ্ঠাংকনযোগে হস্তান্তৰ কৰে।

(iv) তেওঁ দেয় তাৰিখৰ 5 দিনৰ আগতে বিলখন সংগ্ৰহৰ বাবে বেংকলৈ পঠায়।

14. 2006 চনৰ 17 জানুৱাৰীত আব্দুলাই টিহাৰক 18,000 টকাৰ পণ্য বিক্ৰী কৰিলে। তেওঁ টিহাৰৰ ওপৰত এই টকাৰ বাবে 45 দিনীয়া এখন বিল লিখিলে। টিহাৰে বিলখনত স্বীকৃতি দি ওভতাই দিলে। দেয় তাৰিখে আব্দুলাই টিহাৰৰ হাতত পৰিশোধৰ বাবে বিলখন দিলে। কিন্তু টিহাৰে সেইখন প্ৰত্যাখ্যান কৰিলে। আব্দুলাই 40 টকা লেখ্য মাচুল আদায় দিব লগা হ'ল। বিল প্ৰত্যাখ্যান হোৱাৰ 5 দিনৰ পিছতে টিহাৰে আব্দুলাক লেখ্য মাচুল আৰু সুদেৰে সৈতে 18,700 টকা পৰিশোধ কৰিলে। আব্দুলা আৰু টিহাৰৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰ আব্দুলাৰ বহীত টিহাৰৰ হিচাপ আৰু টিহাৰৰ বহীত আব্দুলাৰ হিচাপ প্ৰস্তুত কৰা।

15. 2006 চনৰ 02 মাৰ্চত আশাই নিশাক 19,000 টকাৰ পণ্য বিক্ৰী কৰিলে। নিশাই লগে লগেই 4,000 টকা দিলে আৰু বাকী টকাৰ বাবে আশাই লিখা 3মহীয়া বিল এখনত স্বীকৃতি দিলে। আশাই লগে লগেই বিলখন বছৰি 8% হাৰে বেংকত ভঙালে। দেয় তাৰিখে বিলখন প্ৰ্যত্যাখ্যান হ'ল আৰু 30 টকা লেখ্য মাচুল দিব লগা হ'ল। আশা আৰু নিশাৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

16. 2006 চনৰ 02 ফেব্ৰুৱাৰীত বৰ্মাই শৰ্মাৰ পৰা 17,500 টকাৰ পণ্য কিনিলে। বৰ্মাই 2,500 টকা নগদ দিলে আৰু বাকী টকাৰ বাবে 60 দিনৰ পিছত দিব লগা প্ৰতিশ্ৰুতি পত্ৰ শৰ্মাক দিলে। শৰ্মাই লগে লগে তেওঁৰ পাওনাদাৰ গুপ্তালৈ 15,400 টকা ধাৰ পৰিশোধৰ বাবে এই পত্ৰখন পৃষ্ঠাংকন কৰিলে। দেয় তাৰিখে গুপ্তাই প্ৰতিশ্ৰুতি পত্ৰখন বৰ্মাৰ ওচৰত দাখিল কৰিলে। বৰ্মাই এই পত্ৰখন প্ৰত্যাখ্যান কৰিলে। সেয়েহে, গুপ্তাই 500 টকা লেখ্য মাচুল দিব লগা হ'ল। লগে লগেই গুপ্তাই শৰ্মাক প্ৰত্যাখ্যান হোৱাৰ বিষয়ে জনালে। শৰ্মাৰ তেওঁ ঋণ নিষ্পত্তিৰ বাবে 15,500 টকাৰ এখন চেক দিলে। ইয়াত লেখ্য মাচুল আৰু সুদ ধৰা হৈছে। বৰ্মাই শৰ্মাৰ ঋণ চেকেৰে নিষ্পত্তি কৰিলে।

ওপৰৰ লেনদেনৰ বাবে শৰ্মা গুপ্তা আৰু বৰ্মাৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া। শৰ্মাৰ বহীত বৰ্মা আৰু গুপ্তাৰ হিচাপ প্ৰস্তুত কৰা। বৰ্মাৰ বহীত শৰ্মাৰ হিচাপ আৰু গুপ্তাৰ বহীত শৰ্মাৰ হিচাপ প্ৰস্তুত কৰা।

17. 2006 চনৰ 01 মাৰ্চত লিলিয়ে মেঠীক 12,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু এই টকাৰ বাবে মেঠীৰ ওপৰত এখন 2 মহীয়া বিল লিখিলে। লিলিয়ে লগে লগে বছৰি 9% হাৰে বেংকত বাট্টাত ভঙালে। দেয় তাৰিখটো এটা অব্যৱসায়িক দিন (বন্ধৰ)। সেয়েহে ভৰতীয় হস্তান্তৰযোগ্য দলিল আইন 1881 ৰ নিয়ম মতে বিলখন উত্থাপন কৰিলে। বিলখন প্ৰত্যাখ্যান হ'ল আৰু লিলিয়ে 45 টকা লেখ্য মাচুল দিব লগা হ'ল। প্ৰত্যাখ্যান হোৱাৰ 5 দিনৰ পিছত মেঠীয়ে লিলিৰ ঋণখিনি পৰিশোধ কৰিলে। লগতে বিলৰ কালৰ (Period) ৰ বাবে বছৰি 12% হাৰে সুদ ধাৰ্য্য কৰা হ'ল। ওপৰৰ লেনদেনৰ বাবে লিলি আৰু মেঠীৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু লিলিৰি বহীত মেঠীৰ হিচাপ আৰু মেঠীৰ বহীত লিলিৰ হিচাপ প্ৰস্তুত কৰা।

18. 2006 চনৰ 01 ফেব্ৰুৱাৰীত কপিলে গৌৰৱৰ পৰা 21,000 টকাৰ পণ্য কিনিলে। আৰু এই টকাৰ বাবে গৌৰৱে লিখা এখন এমহীয়া বিলত স্বীকৃতি দিলে। 2006 চনৰ 25 ফেব্ৰুৱাৰীত সংগ্ৰহৰ বাবে তেওঁৰ বিলখন বেংকত পঠালে। বেংকে সঠিক সময়তে বিলখন উত্থাপন কৰিলে। কিন্তু, কপিলে বিলখন প্ৰত্যাখ্যান কৰিলে আৰুবেংকে 100 টকা লেখ্য মাচুল দিব লগা হ'ল।

ওপৰৰ লেনদেনৰ বাবে কপিল আৰু গৌৰৱৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

19. 2006 চনৰ 14 ফেব্ৰুৱাৰীত ৰশ্মিয়ে অলকাক 7,500 টকাৰ পণ্য বিক্ৰী কৰিলে। অলকাই 500 টকা নগদ দিলে আৰু বাকী টকাৰ বাবে ৰশ্মিয়ে লিখা 2 মহীয়া বিলত স্বীকৃতি দিলে। 2006 চনৰ 10 এপ্ৰিলত হাতত টকা কম থকাৰ বাবে অলকাই ৰশ্মিৰ ওচৰত আহি বিলখন নাকচ কৰিবলৈ অনুৰোধ কৰিলে। তাই 2,000 টকা নগদ দিলে আৰু 500 টকা সুদেৰে সৈতে বাকী টকাৰ বাবে এখন নতুন বিল লিখিবলৈ অনুৰোধ কৰিলে। ৰশ্মিয়ে অলকাৰ অনুৰোধ মানি লৈ 2 মাহৰ পিছত দিব লগা এখন বিল লিখিলে। অলকাই বিলত স্বীকৃতি দিলে আৰু বিলখন দেয় তাৰিখে পৰিশোধ কৰিলে। ৰশ্মি আৰু অলকাৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু ৰশ্মিৰ বহীত অলকাৰ হিচাপ আৰু অলকাৰ বহীত ৰশ্মিৰ হিচাপ প্ৰস্তুত কৰা।

20. 2005 চনৰ 01 ডিচেম্বৰত নিখিলে অখিলক 23,000 টকাৰ পণ্য বিক্ৰী কৰিলে। তেওঁ এই টকাৰ বাবে অখিলৰ ওপৰত এখন দুমহীয়া বিল লিখিলে। অখিলে বিলত স্বীকৃতি দি ওভতাই দিলে। নিখিলে বছৰি 12% হাৰে বিলখন বেংকত ভঙালে। দেয় তাৰিখে অখিলে বিলখন প্ৰত্যাখ্যান কৰিলে আৰু বেংকে 100 টকা লেখ্য মাচুল দিব লগা হ'ল। অখিলে নিখিলক বছৰি 10% হাৰে সুত ধৰি এখন নতুন বিল লিখিবলৈ অনুৰোধ কৰিলে। নিখিলে এই অনুৰোধত এখন দুমহীয়া নতুন বিল লিখিলে। দেয় তাৰিখৰ এক সপ্তাহৰ আগতে পুনৰ অখিলে নিখিলৰ ওচৰত আহি 10,000 টকা নগদ ল'ব ক'লে আৰু 500 টকা সুদেৰে সৈতে বাকী টকাৰ বাবে তৃতীয়খন বিল লিখিবলৈ অনুৰোধ কৰিলে। তেওঁ এই প্ৰস্তাৱত সন্মত হৈ তৃতীয় বিলখন লিখি স্বীকৃতি লৈ ল'লে। এই বিলখন এমাহৰ পিছত দিব লাগিব। দেয় তাৰিখে অখিলে বিলখন পৰিশোধ কৰিলে। নিখিল আৰু অখিলৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া আৰু নিখিলৰ বহীত অখিলৰ হিচাপ আৰু অখিলৰ বহীত নিখিলৰ হিচাপ প্ৰস্তুত কৰা।

21. 2006 চনৰ 02 জানুৱাৰীত বিভাই শুদ্ধক 18,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু শুদ্ধৰ ওপৰত এই টকাৰ বাবে এখন দুমহীয়া বিল লিখিলে। শুদ্ধই বিলখনত স্বীকৃতি দি ওভতাই দিলে। বিভাই বিলখন লগে লগে গীতাক পৃষ্ঠাংক কৰিলে। দেয় তাৰিখৰ 5 দিনৰ আগতে হাতত টকা কম থকা বাবে শুদ্ধই বিভাক বিলখন নাকচ কৰিবৰ বাবে অনুৰোধ কৰিলে লগতে 200 টকা সুদ ধৰি এখন নতুন বিল লিখিবলৈ ক'লে। বিভাই এই অনুৰোধটো মানি লৈ বিলখন নাকচ কৰিলে আৰু গীতাক নগদ টকাৰে পৰিশোধ কৰি বিলখন লৈ ল'লে। পিছত তাই সন্মত হোৱা মতেই এখন নতুন বিল লিখিলে। বিলখন এমাহ পাছত পৰিশোধ কৰিব লাগিব। দেয় তাৰিখে বিলখন পৰিশোধ হ'ল। বিভাৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

19. 2006 চনৰ 14 ফেব্ৰুৱাৰীত ৰশ্মিয়ে অলকাক 7,500 টকাৰ পণ্য বিক্ৰী কৰিলে। অলকাই 500 টকা নগদ দিলে আৰু বাকী টকাৰ বাবে ৰশ্মিয়ে লিখা 2 মহীয়া বিলত স্বীকৃতি দিলে। 2006 চনৰ 10 এপ্ৰিলত হাতত টকা কম থকাৰ বাবে অলকাই ৰশ্মিৰ ওচৰত আহি বিলখন নাকচ কৰিবলৈ অনুৰোধ কৰিলে। তাই 2,000 টকা নগদ দিলে আৰু 500 টকা সুদেৰে সৈতে বাকী টকাৰ বাবে এখন নতুন বিল লিখিবলৈ অনুৰোধ কৰিলে। ৰশ্মিয়ে অলকাৰ অনুৰোধ মানি লৈ 2 মাহৰ পিছত দিব লগা এখন বিল লিখিলে। অলকাই বিলত স্বীকৃতি দিলে আৰু বিলখন দেয় তাৰিখে পৰিশোধ কৰিলে। ৰশ্মি আৰু অলকাৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু ৰশ্মিৰ বহীত অলকাৰ হিচাপ আৰু অলকাৰ বহীত ৰশ্মিৰ হিচাপ প্ৰস্তুত কৰা।

20. 2005 চনৰ 01 ডিচেম্বৰত নিখিলে অখিলক 23,000 টকাৰ পণ্য বিক্ৰী কৰিলে। তেওঁ এই টকাৰ বাবে অখিলৰ ওপৰত এখন দুমহীয়া বিল লিখিলে। অখিলে বিলত স্বীকৃতি দি ওভতাই দিলে। নিখিলে বছৰি 12% হাৰে বিলখন বেংকত ভঙালে। দেয় তাৰিখে অখিলে বিলখন প্ৰত্যাখ্যান কৰিলে আৰু বেংকে 100 টকা লেখ্য মাচুল দিব লগা হ'ল। অখিলে নিখিলক বছৰি 10% হাৰে সুত ধৰি এখন নতুন বিল লিখিবলৈ অনুৰোধ কৰিলে। নিখিলে এই অনুৰোধত এখন দুমহীয়া নতুন বিল লিখিলে। দেয় তাৰিখৰ এক সপ্তাহৰ আগতে পুনৰ অখিলে নিখিলৰ ওচৰত আহি 10,000 টকা নগদ ল'ব ক'লে আৰু 500 টকা সুদেৰে সৈতে বাকী টকাৰ বাবে তৃতীয়খন বিল লিখিবলৈ অনুৰোধ কৰিলে। তেওঁ এই প্ৰস্তাৱত সন্মত হৈ তৃতীয় বিলখন লিখি স্বীকৃতি লৈ ল'লে। এই বিলখন এমাহৰ পিছত দিব লাগিব। দেয় তাৰিখে অখিলে বিলখন পৰিশোধ কৰিলে। নিখিল আৰু অখিলৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া আৰু নিখিলৰ বহীত অখিলৰ হিচাপ আৰু অখিলৰ বহীত নিখিলৰ হিচাপ প্ৰস্তুত কৰা।

21. 2006 চনৰ 02 জানুৱাৰীত বিভাই শুদ্ধক 18,000 টকাৰ পণ্য বিক্ৰী কৰিলে আৰু শুদ্ধৰ ওপৰত এই টকাৰ বাবে এখন দুমহীয়া বিল লিখিলে। শুদ্ধই বিলখনত স্বীকৃতি দি ওভতাই দিলে। বিভাই বিলখন লগে লগে গীতাক পৃষ্ঠাংক কৰিলে। দেয় তাৰিখৰ 5 দিনৰ আগতে হাতত টকা কম থকা বাবে শুদ্ধই বিভাক বিলখন নাকচ কৰিবৰ বাবে অনুৰোধ কৰিলে লগতে 200 টকা সুদ ধৰি এখন নতুন বিল লিখিবলৈ ক'লে। বিভাই এই অনুৰোধটো মানি লৈ বিলখন নাকচ কৰিলে আৰু গীতাক নগদ টকাৰে পৰিশোধ কৰি বিলখন লৈ ল'লে। পিছত তাই সন্মত হোৱা মতেই এখন নতুন বিল লিখিলে। বিলখন এমাহ পাছত পৰিশোধ কৰিব লাগিব। দেয় তাৰিখে বিলখন পৰিশোধ হ'ল। বিভাৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

জানুৱাৰী - 25

অঞ্জুৰ তিনি মহীয়া বিলত স্বীকৃতি দিয়া হ'ল।

জানুৱাৰী - 29

কিৰণে 2,000 টকা নগদ পঠালে আৰু বকী থকা টকাৰ বাবে এখন 3 মাহ পিছত দিব লগা প্ৰতিশ্ৰুতি পত্ৰ পঠালে।

উপযোক্ত উপ-বহীত লেনদেনবোৰ লিখা।

23. 2006 চনৰ 01 জানুৱাৰীত তনুৱে তেওঁৰ উপকাৰৰ (benefit) বাবে লিখা 10,000 টকাৰ এখন বিলত হৰষে স্বীকৃতি দিলে। তনুৱে বছৰি 4% হাৰে বিলখন বেংকত ভঙালে। দেয় তাৰিখে তনুৱে হৰষলৈ বিলখন পৰিশোধৰ বাবে এখন চেক পঠালে। হৰষে বিলখন সময়মতে পৰিশোধ কৰিলে।

তনু আৰু হৰষৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

24. ৰিতেশ আৰু নয়না দুয়োজনকে সাময়িকভাবে টকাৰ প্ৰয়োজন। 2005 চনৰ 01 আগষ্টত ৰিতেশে নয়নাৰ ওপৰত 1200 টকাৰ এখন 4 মহীয়া বিল লিখিলে। নয়নাই বিলখন স্বীকৃতি দি ৰিতেশক ওভতাই দিলে। ৰিতেশে বছৰি 8% হাৰে বিলখন বাট্টাত ভঙালে। বাট্টাকৃত বিলৰ আধা টকা নয়নালৈ পঠাই দিয়া হ'ল। দেয় তাৰিখে ৰিতেশে নয়নালৈ প্ৰয়োজনীয় টকখিনি পঠালে। তেওঁ বিলখন পৰিশোধ কৰিলে।

দুয়োপক্ষৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া

25. 2006 চনৰ 01 জনুৱাৰীত ভানু আৰু নয়ন প্ৰত্যেকেই দুয়োজনৰে টকাৰ প্ৰয়োজনৰ বাবে এজনে আনজনৰ ওপৰত 4,000 টকাৰ একোখনকৈ বিল লিখিলে। বিলবোৰ 3 মাহৰ পিছত পৰিশোধ কৰিবলগীয়া। জানুৱাৰীৰ 2 তাৰিখে তেওঁলোক প্ৰত্যেকৰে বিলবোৰ বছৰি 5% হাৰে বেংকত ভঙালে। দেয় তাৰিখে প্ৰত্যেকেই তেওঁলোকৰ নিজৰ নিজৰ বিলবোৰ পৰিশোধ কৰিলে। ভানু আৰু নয়নৰ জাবেদা প্ৰবিষ্টি দিয়া।

26. 2005 চনৰ 01 নবেম্বৰত সুনিয়াই চানিৰ ওপৰত 15,000 টকাৰ এখন বিল পৰস্পৰৰ সুবিধাৰ বাবে লিখিলে। চানিয়ে বিলখনত স্বীকৃতি দি সুনিয়ালৈ ওভতাই দিলে। সুনিয়াই বছৰি 6% হাৰে বিলখন বেংকত ভঙালে। বাট্টাকৃত বিলৰ টকা সুনিয়া আৰু চানিয়ে ক্ৰমে $^2/_3$ অংশ